www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, OCTOBER 31, 2024 ■ বৃহস্পতিবাৰ, ১৪ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৯৭ Guwahati, Assam ।। মূল্যঃ এটকা

## 'গছতকৈ মোমাই ডাঙৰ নহয়' ভাইৰেল

ই-সংবাদ, ৩০ অক্টোবৰঃ গুৱাহাটীবাসীৰ প্ৰতিবাদত সেও মানিলেও গছ কটাৰ সিদ্ধান্তৰ ৬ পৃষ্ঠাত চাওক

## দীপাৱলীৰ পিছতে ৩ গুণলৈ বৃদ্ধি পাব বায়ু প্ৰদূষণৰ মাত্ৰা

# বায়ু প্ৰদূষণে বছৰি কাঢ়িছে ৪৫ লাখৰ প্ৰাণ

**ই-সংবাদ বিশেষ, ৩০ অক্টোবৰঃ** পোহৰৰ উৎসৱ দীপাৱলীত চৌদিশে ফটকা-আতচবাজী ফুটাবলৈ সকলো সাজু হৈ পৰাৰ সময়তে পোহৰলৈ আহিছে উদ্বেগজনক তথ্য। এই তথ্য অনুযায়ী পূৰ্বতকৈয়ো ভয়াবহভাৱে বিষাক্ত হৈ পৰিছে ভাৰতৰ বতাহ। ভাৰতৰ প্ৰায় সকলো বৃহৎ চহৰৰ ভয়াবহ বায়ু প্ৰদূষণে বিপন্ন কৰি তুলিছে মানুহ আৰু জীৱ-জন্তুৰ জীৱন। শীতকালৰ লগে লগে পুনৰ বিষাক্ত হৈ পৰিছে দিল্লীৰ বতাহ। শেহতীয়াকৈ দিল্লীৰ বায়ু প্ৰদূষণক লৈ উচ্চতম শেষাংশ ৩ পৃষ্ঠাত

## সভ্যতাৰ বৃক্ষ

■ শোণিত কুমাৰ গোস্বামী

শাণিত কলম



**এই ধৰাত** দুই ধৰণৰ সম্পদৰ বাবে বিপ্লৱ, উগ্ৰপন্থা, সন্ত্ৰাসবাদ, মাওবাদ (যিয়েই নাম নিদিয়ক?) সৃষ্টি হৈছে। এক হ'ল ভূমি আৰু আনবিধ হ'ল বৃক্ষ। দুয়োটা এটা মুদ্ৰাৰেই ইপিঠি-সিপিঠি। ভূমিৰ শেষাংশ ২ পৃষ্ঠাত



## বিশাল, তাৰ্কিক, চুমিসহ ৮ অভিযুক্তক চিবিআইৰ জিম্মালৈ

**ই-সংবাদ, ৩০ অক্টোবৰঃ** গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ থকা ট্ৰেডিং কেলেংকাৰীৰ অভিযুক্ত চুমি বৰা, স্বামী তাৰ্কিক বৰা, শেষাংশ ২ পৃষ্ঠাত

## পাণবজাৰ থানাত দীপাংকৰক বিচাৰি ভিৰ

কেবাঘণ্টা ধৰি আৰক্ষীৰ জেৰা

**ই-সংবাদ, ৩০ অক্টোবৰঃ** মঙলবাৰে নিশা পাণবজাৰৰ এচিপি অমিত মাহাটো নেতৃত্বাধীন পাঁচজনীয়া দলটোৱে ট্ৰেডিং কেংলেংকাৰীৰ অন্যতম খলনায়ক দীপাংকৰ শেষাংশ ৪ পৃষ্ঠাত



## ছলমানক হত্যাৰ ভাবুকি দি গ্ৰেপ্তাৰ হ'ল টেটু আৰ্টিষ্ট

**মুম্বাই, ৩০ অক্টোবৰঃ** বলিউডৰ তাৰকা অভিনেতা ছলমান খানক লৰেন্স বিশ্নোই গেঙে প্ৰদান কৰি অহা ধাৰাবাহিক ভাবুকিৰ সুযোগ লৈ অভিনেতাজনক ভাবুকি প্ৰদান কৰি এইবাৰ গ্ৰেপ্তাৰ শেষাংশ ৫ পৃষ্ঠাত

## দিলে গছ নকটাৰ আশ্বাস! পূৰ্বৰ নক্সা সলনিৰ নিৰ্দেশ

# প্ৰতিবাদত সেও মানিলে হিমন্তই

**ই-সংবাদ বিশেষ, ৩০ অক্টোবৰঃ** গুৱাহাটী মহানগৰীৰ ঐতিহ্যমণ্ডিত দীঘলীপুখুৰীৰ শতিকা প্ৰাচীন গছকেইজোপাক জীয়াই ৰাখিবলৈ গুৱাহাটীৰ নাগৰিকে অব্যাহত ৰখা প্ৰতিবাদৰ ওচৰত অৱশেষত সেও মানিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে। আজি পুৱাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে গছ কটা সিদ্ধান্তৰ বিৰুদ্ধে বিৰুদ্ধে বিবেচনা কৰাৰ আশ্বাস দিছিল। শেষাংশ ৪ পৃষ্ঠাত



অভিশপ্ত ৩০ অক্টোবৰ ধাৰাবাহিক বোমা বিস্ফোৰণত নিহতলৈ আছুৰ শ্ৰদ্ধাঞ্জলি

## ঘটনাত জড়িত স্বাস্থ্যকৰ্মী!


## ধেমাজিত ত্ৰিছ হাজাৰ টকাত পানী কেঁচুৱাক বিক্ৰী

**ই-সংবাদ, ৩০ অক্টোবৰঃ** সমাজৰ একাংশ লোকে সন্তানক তুলি-তালি ডাঙৰ-দীঘল কৰিবলৈ কেইটামান টকাৰ বিনিময়ত সন্তানক আনৰ হাতত তুলি দিবলৈ বাধ্য হৈছে এইখন অসমত। শেষাংশ ৫ পৃষ্ঠাত

## আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত বেলট চুৰি কাণ্ড! ট্ৰাম্পৰ দলৰ নেতা ধৃত

মেডিছন কাউণ্টীত ভোটৰ পূৰ্বে বেলট লৈ উধাও

**নিউয়ৰ্ক, ৩০ অক্টোবৰঃ** আমেৰিকাতো সংঘটিত হয় ভোট চুৰিৰ ঘটনা! দেশখনৰ ৰাষ্ট্ৰপতি নিৰ্বাচন চলি থকাৰ সময়তে বেলট চুৰিৰ অপৰাধত গ্ৰেপ্তাৰ হ'ল ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী শেষাংশ ৫ পৃষ্ঠাত



## পুত্ৰ-কন্যাসহ মহিলা আহত

## হাজোত নিশা খিৰিকিৰে দুৰ্বৃত্তৰ এচিড আক্ৰমণ

**ই-সংবাদ, হাজো, ৩০ অক্টোবৰঃ** কামৰূপ জিলাৰ হাজোৰ খোপনিকুচিত সংঘটিত হৈছে এচিড আক্ৰমণৰ দৰে এক ভয়ংকৰ ঘটনা। নিশা শুই থকা শেষাংশ ৬ পৃষ্ঠাত

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# সভ্যতাৰ বৃক্ষ

অধিকাৰ বিলুপ্ত কৰি পুঁজিবাদীয়ে উন্নয়নৰ স্বপ্ন দিয়ে। বন ধ্বংস কৰি পুঁজিবাদীয়ে আধুনিকতাৰ বস্তুবাদ দিয়ে। মুঠতে ভূমি খনন কৰি আৰু বৃক্ষ উভালি এই ধৰাত পুঁজিবাদীয়ে নতুন চিন্তাৰে উন্নয়ন কৰে, এই উন্নয়নৰ দ্বাৰা উচ্ছেদিত, ক্ষোভিত, বঞ্চিত, নিস্পেষিতজনে আকৌ বিদ্ৰোহ ঘোষণা কৰি উন্নয়নকামীৰ আলোচনাত মাওবাদী বা বামপন্থী আখ্যা লাভ কৰে। এই প্ৰক্ৰিয়া চলি আছে আৰু চলি থাকিব, সলনি হৈছে কেৱল সংজ্ঞা।

স্বপ্নৰ পম খেদি উন্নয়নৰ জয়গানেৰে চৰকাৰ গঠন কৰা বৰ্তমানৰ চৰকাৰে দেশৰ পাঁচখন ৰাজ্যৰ অন্যতম হোৱাৰ স্বপ্ন দেখি ৰাজ্যৰ চহৰ-নগৰ স্মাৰ্ট কৰি তুলিব ধৰিছে। স্মাৰ্ট চহৰত যাতায়তৰ বাবে উৰণ সেঁতু, বস্তুবাদৰ বাবে সুউচ্চ অট্টালিকা আৰু বজাৰ অৰ্থনীতিৰ পয়োভৰ দেখিব পোৱা যায়। সেই অনুসাৰে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ৰাজধানী চহৰখনত উৰণ সেঁতুৰ অঘোষিত প্ৰতিযোগিতা আৰম্ভ কৰা দেখা গৈছে। শেহতীয়াকৈ ছয়মাইল দিশৰ পৰা দিশপুৰ দিশত এখন উৰণ সেঁতুৰ কাম চলি থকাৰ সমান্তৰালকৈ বামুণীমৈদাম এলেকাৰ পৰা ৰিজাৰ্ভ বেংক-সন্দিকৈ কলেজৰ সমীপলৈ অন্য এখন উৰণ সেঁতুৰ কাম চলি আছে। এই দ্বিতীয়খন উৰণসেঁতুক সৈ প্ৰথমৰ পৰাই

নাগৰিক সমাজে আপত্তি দৰ্শাইছিল যদিও উন্নয়নৰ স্বপ্ন দেখা চৰকাৰ এই ক্ষেত্ৰত আকোৰগোঁজ। গতিকে সময়মতে কাম আৰম্ভ হৈছে আৰু মুখ্যমন্ত্ৰীয়ে দিয়া প্ৰতিশ্ৰুতি অনুসৰি ২০২৫ বৰ্ষত চান্দমাৰীত দ্বিতীয়খন ওপৰৰে যোৱা সেঁতু গুৱাহাটীবাসীয়ে লাভ কৰিব বুলি ভবা হৈছে।

এই উৰণ সেঁতুৰ এটা অংশ দীঘলীপুখুৰীৰ কাষত নামিব। এই দীঘলীপুখুৰী অংশটো গুৱাহাটীৰ অন্যতম পুৰণি এলেকা আৰু এই দীঘলীপুখুৰীৰ আশে-পাশে থকা আবাসিক এলেকাক লৈ অনেক জনৰ মধুৰ স্মৃতি জড়িত হৈ আছে। সন্দিকৈ কলেজৰ সাগৰিকা বৰদলৈক বিচাৰি যিদৰে সেই ঠাইলৈ বহুতে গৈ অনাই-বনাই ঘূৰি ফুৰিছিল, প্ৰেম নিবেদন কৰিবলৈ পুখুৰীৰ পাৰত বহিছিল ঠিক তেনেদৰে সেই ঠাইলৈ গৈ গুৱাহাটীক চিনিছিল, জ্ঞানৰ বন্তি জ্বলাইছিল। এতিয়া এই অঞ্চলটোৰ একাংশ উৰণ সেঁতুৰ বাবে উচ্ছেদ হোৱাৰ দিশে আগবাঢ়িছে আৰু ন-ৰূপত সজাই তোলাৰ বাবে প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই প্ৰক্ৰিয়াৰ অংশ স্বৰূপে দীঘলীপুখুৰীৰ পাৰৰ এটা অংশত থকা শতিকাপুৰণি বৃক্ষও উভালি পেলোৱাৰ বাবে যো-জা চলিছে।

উন্নয়নৰ বাবে গছ কটা কাৰ্য নতুন নহয়। এটা বৰ্ষৰ পূৰ্বে বৃক্ষ নিধনক লৈ ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ব্যক্তিয়ে প্ৰতিবাদ কৰিছিল। গুৱাহাটীৰ জালুকবাৰীৰ পৰা মিৰ্জা-বকো লৈ গোৱালপাৰলৈ আগবঢ়াৰ লগে লগে ঘাইপথৰ কাষে কাষে শাৰী শাৰীকৈ বৃক্ষৰ স্থিতিয়ে এক মনোৰম পৰিৱেশ দিয়াৰ স্মৃতি সকলোৰে মনত খোদিত হৈ আছে। এটা বছৰৰ পূৰ্বে ঘাইপথ বহল কৰাৰ স্বাৰ্থত এই গোৱালপাৰা

ঘাইপথটোত সহস্ৰাধিক গছ কাটি পেলোৱা হৈছিল। মানুহৰ প্ৰতিবাদৰ উজানো তেনেদৰে স্তিমিত হৈ পৰিছিল। এতিয়া সেই ঘাইপথেৰে যাত্ৰা কৰিলে পথ বহলোৱাৰ কাম দেখিবলৈ পোৱা যায় আৰু পথৰ কাষে কাষে বৃক্ষও দেখিবলৈ পোৱা যায়। বৃক্ষ নিধনৰ প্ৰতিবাদ

অসমত এসময়ত হিমাচল প্ৰদেশ-উত্তৰাখণ্ডত হোৱা চিপকো আন্দোলনৰ লেখীয়া হোৱাগৈ নাই বা হ'ব নোৱাৰে।

দীঘলীপুখুৰীৰ পাৰত প্ৰতিবাদ চলিছে। এই প্ৰতিবাদ উৰণসেঁতুৰ নিৰ্মাণৰ বাবে নহয়, এই প্ৰতিবাদ হৈছে গছ কটাক লৈ, সকলোৰে অনুৰোধ উন্নয়নৰ বাবে গছ কাটিব নালাগে। দিনে-নিশাই প্ৰতিবাদ চলিছে, পৰিৱেশ কৰ্মীৰ পৰা আৰম্ভ কৰি স্থানীয় নাগৰিক, জ্যেষ্ঠ নাগৰিক, সচেতন সমাজৰ প্ৰতিনিধি দীঘলীপুখুৰীৰ পাৰত উপস্থিত হৈ চৰকাৰলৈ অনুৰোধ জনাইছে যাতে উৰণ সেঁতুৰ গতিপথৰ বিকল্প হওক। দীঘলীপুখুৰীৰ আশে-পাশে যি যেনেদৰে আছে তেনেদৰে থাকক। প্ৰশ্ন হয়? প্ৰতিবাদৰ ভাষা চৰকাৰে বুজিব নে চৰকাৰৰ উন্নয়নৰ গতিত প্ৰতিবাদীকাৰী উফৰি পৰিব?

ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ইতিমধ্যে বিশ্ব পৰিৱেশ দিৱসৰ প্ৰতি সন্মান জনাই হওক বা চৰকাৰৰ গছপ্ৰীতিৰ বাবেই হওক, ইতিমধ্যে চৰকাৰী উদ্যোগত বৃক্ষৰোপন কাৰ্যসূচী দুবাৰকৈ অনুষ্ঠিত হৈছে। ৰাজ্যৰ লক্ষাধিক লোকে অমৃতবৃক্ষ নাম পোৱা গছ ৰোপণ কাৰ্যসূচীত অংশ লৈছে। ঠায়ে ঠায়ে বন বিভাগৰ তত্বাৱধানাত লক্ষাধিক গছপুলিৰ লালন-পালন চলি আছে। গতিকে এনে প্ৰক্ষেপটত চৰকাৰ কিদৰে বৃক্ষ বিদ্বেষী হৈ পৰিব পাৰে, এই কথাটো নুবুজা সাঁথৰ হৈ পৰে। শেহতীয়াকৈ চৰকাৰে দীঘলীপুখুৰীক লৈ সিদ্ধান্তও সলনি কৰিব বুলি ঘোষণা কৰিছে। এই ঘোষণা বাস্তৱায়িত হয় নে নহয় সেয়া অনাগত দিনবোৰত স্পষ্ট হৈ পৰিব।

**(লেখকৰ ফোনঃ ৯৮৯৯৬৬০৫৮২)**

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# বিশাল, তাৰ্কিক, চুমিসহ ৮ অভিযুক্তক

পাতি লোৱা ভাতৃ বিশাল ফুকনসহ ৮জন লোকক গুৱাহাটীৰ চিবিআইৰ আদালতত হাজিৰ কৰোৱা হয়। চিবিআই আদালতত তদন্তকাৰী দলে ৮জনক জিম্মাত বিচাৰে। আদালতে শুনানি গ্ৰহণ কৰি চুমি বৰা, স্বামী তাৰ্কিক বৰা, বিশাল ফুকনসহ ৮গৰাকী লোক তিনিদিনৰ বাবে চিবিআইৰ জিম্মাত প্ৰদান কৰে। তদন্তকাৰী চিবিআইৰ দলটোৱে চুমি বৰা, স্বামী তাৰ্কিক বৰা, বিশাল ফুকনসহ ৮গৰাকী লোকক আজিয়েই জিম্মাত লয় তেওঁলোকৰ কাৰ্যালয়ত জেৰা আৰম্ভ কৰা বুলি জানিব পৰা গৈছে। চিবিআইৰ জেৰাত বহু তথ্য ফাদিল হোৱাৰ আশা কৰা হৈছে। ট্ৰেডিং কেলেংকাৰীত

অভিযুক্ত ৮ জন লোকক ২৫ অক্টোবৰত ডিব্ৰুগড় আৰক্ষীয়ে এখন ট্ৰেভেলাৰেৰে গুৱাহাটীলৈ আনিছিল চুমি বৰা, তাৰ্কিক বৰা, বিশাল ফুকন, অম্লান বৰা, ৰণজিৎ কাকতি, অভিজিৎ ছন্দ, শোভনজ্যোতি কুৰ্মী আৰু চন্দন নাথক। ডিব্ৰুগড়ৰ পৰা আনি ২৬ এপ্ৰিলত গুৱাহাটীৰ আদালতত হাজিৰ কৰোৱা হৈছিল। গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ আলহী হৈ থকা চুমি বৰা, স্বামী তাৰ্কিক বৰা, পাতি লোৱা ভায়েক বিশাল ফুকনসহ ট্ৰেডিং কেলেংকাৰীৰ মুঠ ৮ কয়দীক গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰাত দিন কটাইছিল। ডিব্ৰুগড় সদৰ আৰক্ষী থানাত ৰুজু ৩৫২/২৪, ৩৫৪/২৪ নম্বৰ গোচৰ আৰু

বৰবৰুৱা আৰক্ষী থানাত ৰুজু ৮৫/২৪ গোচৰত তদন্তৰ দায়িত্ব ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা চিবিআইক অৰ্পণ কৰিছিল ৰাজ্য চৰকাৰে। যাৰ বাবে গুৱাহাটীলৈ অনা হয় চুমি বৰাসহ ৮ কয়দীক। ট্ৰেডিং কেলেংকাৰিৰ মুখ্য অভিযুক্ত আছিল বিশাল ফুকন। বিশাল ফুকনৰ সহযোগী বুলি চৰ্চিত চুমি বৰা আৰু তাৰ্কিক বৰা। প্ৰৱঞ্চক বিশাল ফুকনক গ্ৰেপ্তাৰৰ পাছতে চুমি বৰা আৰু তাৰ্কিকৰ কথা পোহৰলৈ আহে। বিশালৰ টকাৰে চুমি বৰাই কেইবা কোটি টকা খৰছ কৰি ৰাজস্থানৰ উদয়পুৰত বিয়া পতাৰ লগতে কাপোৰ, গাড়ী, বিদেশ ভ্ৰমণ আদি কৰাৰ নামত কোটি কোটি টকা খৰছৰ অভিযোগ উঠিছিল।

# মৰিগাঁৱত হত্যাৰ অপৰাধত এজনক জৰিমনাসহ যাৱজ্জীৱন কাৰাদণ্ড

**ই-সংবাদ, মৰিগাঁও, ৩০ অক্টোবৰঃ** মৰিগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত হাৰিয়াবাড়ি গাঁৱৰ সঞ্জীৱ বৰদলৈ নামৰ এজন হত্যাকাৰীক আজি মৰিগাঁও জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। প্ৰাপ্ত তথ্য মতে, এই লোকজনে সাত বছৰ পূৰ্বে অঞ্চলটোত এক লোমহৰ্ষক হত্যাকাণ্ড সংঘটিত কৰিছিল। এই ঘটনা সন্দৰ্ভত মৰিগাঁও সদৰ আৰক্ষী থানাত সেই সময়ত ৪৪১/২০১৭ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। এই ঘটনাটোৰ তদন্ত কৰি আৰক্ষীয়ে মৰিগাঁও আদালতত অভিযোগনামা দাখিল কৰিছিল। হত্যাকাণ্ডটোৰ গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত অধীনত বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ জিলা আৰু সত্ৰ ন্যায়াধীশ ৰমেন বৰুৱাই ভাৰতীয় দণ্ডবিধিৰ ৩০২ নং ধাৰাত দোষী সাব্যস্ত কৰি হত্যাকাণ্ডৰ অপৰাধী সঞ্জীৱ বৰদলৈক যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰি বিশ হাজাৰ টকাৰ জৰিমনা বিহে। ধাৰ্য কৰা জৰিমনাৰ ধন অনাদায়ে অতিৰিক্ত ছমাহৰ কাৰাদণ্ডৰ আদেশ জাৰি কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বায়ু প্ৰদূষণে বছৰি কাঢ়িছে ৪৫ লাখৰ

ন্যায়ালয়েও উদ্বেগ প্ৰকাশ কৰাৰ সময়তে এইবাৰ পোহৰলৈ আহিছে আন এক ভয়ংকৰ তথ্য। বষ্টন কলেজৰ গ্ল'বেল অবজাৰ্ভেটৰী অন পলুচন এণ্ড হেল্‌থ, ইণ্ডিয়ান কাউন্সিল অৱ মেডিকেল ৰিচাৰ্চ তথা পাব্লিক হেল্‌থ ফাউণ্ডেচন অৱ ইণ্ডিয়াৰ শেহতীয়া অধ্যয়নত পোহৰলৈ অহা তথ্য অনুসৰি ২০২৩ চনত ভাৰতত বায়ু প্ৰদূষণৰ ফলত ৯০ লাখ লোক হৃদৰোগজনিত ৰোগত আক্ৰান্ত হৈছিল। ২০১৯ চনত বায়ু প্ৰদূষণৰ ফলত ভাৰতত বিভিন্ন ৰোগত অকালতে মৃত্যু ঘটিছিল ১৬.৭ লাখ লোকৰ। অধ্যয়ন অনুসৰি, ভাৰতৰ এই মৃত্যুৰ হাৰ বিশ্বৰ যিকোনো দেশৰ ভিতৰতে সৰ্বাধিক। এই অধ্যয়ন অনুযায়ী ২০১৯ চনত ভাৰতত হোৱা সকলো মৃত্যুৰ ১৭.৮ শতাংশই সংঘটিত হৈছিল বায়ু প্ৰদূষণৰ ফলত। ইফালে দেশৰ মুঠ জিডিপিৰ প্ৰায় ১.৩৬ শতাংশ লোকচানৰ আঁৰতো আছিল এই প্ৰদূষণ। এই অধ্যয়নৰ শিৰোনাম হৈছে "ভাৰতৰ ৰাজ্যসমূহত বায়ু প্ৰদূষণৰ স্বাস্থ্য আৰু অৰ্থনৈতিক প্ৰভাৱ।" অধ্যয়নত কোৱা হৈছে যে প্ৰদূষণ ৰোধৰ বাবে সফল পদক্ষেপে জনস্বাস্থ্য আৰু অৰ্থনীতিত ব্যাপক ইতিবাচক পৰিৱৰ্তন আনিব, যাৰ ফলত ২০২৫ চনৰ ভিতৰত ভাৰতে ৫ ট্ৰিলিয়ন ডলাৰৰ অৰ্থনীতিৰ লক্ষ্যত থকা বাধাসমূহ আঁতৰাবলৈ সক্ষম হ'ব। বষ্টন কলেজৰ জীৱবিজ্ঞানৰ অধ্যাপক তথা গ্ল'বেল অবজাৰ্ভেটৰী অন পলুচন এণ্ড হেল্‌থৰ সঞ্চালক ড০ ফিলিপ জে লেণ্ড্ৰিগানে কয় যে, "ভাৰতত প্ৰদূষণৰ ফলত মানুহৰ বৃহৎ ক্ষতি হয়। ইয়াৰ ফলত প্ৰতি বছৰে অকালতে ১৬.৭ লাখ লোকৰ মৃত্যু হয়, যিটো ক'ভিড-১৯তকৈ অধিক।" ইয়াৰ উপৰিও পানী, মাটি আৰু বায়ু প্ৰদূষণে মানুহৰ হৃদৰোগৰ সম্ভাৱনাও বহু পৰিমাণে বৃদ্ধি কৰা বুলি মন্তব্য কৰে লেণ্ড্ৰিগানে। তেওঁ কয় যে গধুৰ ধাতু আৰু কীটনাশকৰ দৰে বিষাক্ত পদাৰ্থ কেৱল সাধাৰণ প্ৰদূষণ নহয়, হৃদৰোগৰো কাৰণ হৈ পৰিছে। ইফালে, শেহতীয়াকৈ নেচাৰ ৰিভিউ কাৰ্ডিঅ'লজিত প্ৰকাশিত এক অধ্যয়ন অনুসৰি মাটি আৰু পানীৰ প্ৰদূষণ মানুহৰ স্বাস্থ্যৰ বাবে অতি বিপজ্জনক হৈ পৰিছে। এই প্ৰদূষণৰ ফলত এণ্ডোথেলিয়াল ডিছফংচনকে ধৰি অংগসমূহৰ বিসংগতিৰ সৃষ্টি হয়, যাৰ ফলত হৃদৰোগ হয়। পানী আৰু মাটি প্ৰদূষণৰ বাবে প্ৰতি বছৰে প্ৰায় ৯০ লাখ লোকৰ মৃত্যু হয়। ইয়াৰে প্ৰায় ৫০ শতাংশ মৃত্যুৰ কাৰণ হৃদৰোগ। আনহাতে, বাহিৰৰ বায়ু প্ৰদূষণেও বিশ্বজুৰি ৮৩ লাখ লোকৰ মৃত্যুৰ বাবে দায়ী। এই মৃত্যুৰ হাৰ মূলতঃ জীৱাশ্ম ইন্ধনৰ দ্বাৰা সৃষ্টি হোৱা প্ৰদূষণৰ বাবে। অধ্যয়নত দেখা গৈছে যে যদিহে জীৱাশ্ম ইন্ধন বন্ধ কৰিব পৰা যায় তেন্তে বিশ্বৰ প্ৰায় ৫১ লাখ লোকৰ জীৱন ৰক্ষা কৰিব পৰা যাব। এই প্ৰদূষণ প্ৰতিৰোধ কৰিলে বিশেষকৈ দক্ষিণ আৰু পূব এছিয়াত বাৰ্ষিক মৃত্যুৰ হাৰ প্ৰায় ৩৮.৫ লাখ হ্ৰাস পাব। এই অধ্যয়নত গ্ল'বেল বাৰ্ডেন অৱ ডিজিজ ২০১৯ৰ তথ্য, নাছাৰ উপগ্ৰহভিত্তিক তথ্য আৰু বায়ুমণ্ডলৰ ৰাসায়নিক পৰিৱৰ্তনৰ তথ্য বিশ্লেষণ কৰা হৈছে। অধ্যয়নটোত উল্লেখ কৰা হৈছে যে বিশ্বৰ ভিতৰতে চীনত প্ৰদূষণজনিত মৃত্যুৰ সংখ্যা সৰ্বাধিক। চীনত প্ৰদূষণজনিত মৃত্যুৰ সংখ্যা বছৰি ২৪.৪ লাখ। লক্ষণীয় যে, বছৰি ২১.৮ লাখ লোকৰ মৃত্যুৰ সংখ্যাৰে এই প্ৰদূষণজনিত মৃত্যুৰ দেশৰ তালিকাৰ দ্বিতীয় স্থানত আছে ভাৰত। দ্য বিএমজেত প্ৰকাশিত অধ্যয়নত দেখা গৈছে যে উদ্যোগ, বিদ্যুৎ উৎপাদন আৰু পৰিবহণত জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰেই সমগ্ৰ বিশ্বতে অতিৰিক্ত ৫১ লাখ লোকৰ মৃত্যুৰ বাবে দায়ী। এই প্ৰদূষণ নিৰ্মূল কৰিলে ২০১৯ চনত বিশ্বজুৰি বায়ু প্ৰদূষণৰ ফলত হোৱা ৮৩ লাখ লোকৰ প্ৰায় ৬১% লোকক প্ৰতিৰোধ কৰিব পৰা যাব, যিয়ে জীৱাশ্ম ইন্ধনৰ সলনি স্বাস্থ্যৰ ক্ষেত্ৰত ডাঙৰ প্ৰভাৱ পেলাব পাৰে। এই অধ্যয়নৰ বাবে জাৰ্মানীৰ মেক্স প্লেংক ইনষ্টিটিউট ফৰ কেমিষ্ট্ৰীৰ গৱেষকসকলে এটা নতুন মডেল ব্যৱহাৰ কৰিছিল যিয়ে গ্ল'বেল বাৰ্ডেন অৱ ডিজিজ ২০১৯ৰ তথ্য, নাছাৰ উপগ্ৰহৰ তথ্য, আৰু বায়ুৰ ৰাসায়নিক গঠন আৰু বিপদাশংকাৰ মূল্যায়নৰ ভিত্তিত বায়ু প্ৰদূষণৰ ফলত হোৱা সম্ভাব্য অতিৰিক্ত মৃত্যুৰ গণনা কৰিছিল। এই অধ্যয়নটো চাৰিটা ভিন্ন পৰিস্থিতিৰ অধীনত কৰা হৈছিল: প্ৰথমতে, জীৱাশ্ম ইন্ধন সম্পৰ্কীয় সকলো প্ৰদূষণ বন্ধ হোৱা বুলি ধৰি লোৱা; দ্বিতীয় আৰু তৃতীয় পৰিস্থিতিত প্ৰদূষণ ২৫% আৰু ৫০% হ্ৰাস পোৱা; চতুৰ্থ পৰিস্থিতিত মানৱসৃষ্ট সকলো প্ৰদূষণ বাদ দি কেৱল মৰুভূমিৰ ধূলি আৰু বনজুইৰ দৰে প্ৰাকৃতিক উৎসৰ কথাহে বিবেচনা কৰা হয়। উল্লেখ্য যে, ২০১৯ চনত বতাহত কণা পদাৰ্থ (পিএম২.৫) আৰু অজ'ন (অ'৩)ৰ ফলত হোৱা ৮৩ লাখ লোকৰ মৃত্যুৰ ভিতৰত ৬১ শতাংশ (৫১ লাখ) জীৱাশ্ম ইন্ধনৰ ফলত মৃত্যু হোৱা বুলি অধ্যয়নত প্ৰকাশ পাইছে। এই অধ্যয়ন অনুসৰি মানৱসৃষ্ট সকলো প্ৰদূষণ নিয়ন্ত্ৰণ কৰিলে ৮২ শতাংশ মৃত্যু ৰোধ কৰিব পৰা যাব। ইফালে দক্ষিণ আৰু পূব এছিয়া বিশেষকৈ চীন আৰু ভাৰত এই প্ৰদূষণৰ বাবে সৰ্বাধিক মৃত্যুৰ বাবে দায়ী। চীনত বছৰি ২৪.৪ কোটি আৰু ভাৰতত ২১.৮ কোটি লোকৰ প্ৰদূষণৰ বাবে অকাল মৃত্যু হয়। ইয়াৰে ৫২ শতাংশ মৃত্যুৰ কাৰণ হৃদৰোগ, ষ্ট্ৰোক, হাওঁফাওঁৰ সমস্যা আৰু ডায়েবেটিছ আদি ৰোগ। গৱেষকসকলে কয় যে জীৱাশ্ম ইন্ধন বন্ধ কৰিলে দক্ষিণ আৰু পূব এছিয়াত প্ৰতি বছৰে প্ৰায় ৩৮.৫ লাখ লোকৰ জীৱন ৰক্ষা পৰিব পাৰে। তদুপৰি এই পৰিৱৰ্তনে উচ্চ আয়ৰ দেশসমূহত ৪৬ লাখ লোকৰ মৃত্যু হ্ৰাস কৰিব পাৰে। কিন্তু এই অধ্যয়নত নতুন মডেলৰ বাবে পূৰ্বৰ অধ্যয়নতকৈ অধিক লোকৰ মৃত্যু হোৱা দেখা গৈছে। গৱেষকসকলৰ মতে পেৰিছ চুক্তিৰ লক্ষ্য পূৰণৰ বাবে জীৱাশ্ম ইন্ধনলৈ সলনি হ'লে জনস্বাস্থ্যৰ লগতে জলবায়ু পৰিৱৰ্তনৰ বাবেও উপকাৰী হ'ব। উল্লেখ্য যে, গৱেষকৰ দলটোৱে চিঅ'পি২৮ত এই সন্দৰ্ভত সমগ্ৰ বিশ্বক ইতিবাচক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে।

# তামুলপুৰত সেউজ দীপাৱলীৰ শোভাযাত্ৰা

**ই-সংবাদ, তামুলপুৰ, ৩০ অক্টোবৰঃ** তামুলপুৰ পৌৰসভা আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ তামুলপুৰ খণ্ডৰ যুটীয়া উদ্যোগত আজি সেউজ দীপাৱলীৰ এক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাৰ পূৰ্বে এখন সভাও অনুষ্ঠিত হয়। বিশিষ্ট সাংস্কৃতিক কৰ্মী শ্যামল দাসে আঁত ধৰা সভাখনত উপস্থিত থাকি তামুলপুৰ জিলাৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে কয় যে এই কাম দেখাত অতি সামান্য, কিন্তু বহু ডাঙৰ কামতকৈ এই কামৰ মূল্য অতি বেছি। তেওঁ পুনৰ কয় যে আমি প্ৰকৃতিক পূজা কৰিব লাগে। সভাত তামুলপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া এলিমা কাগুলনা, তামুলপুৰ পৌৰ সভাৰ পৌৰপতি বাণীকান্ত বসুমতাৰী, উপ-পৌৰপতি অৰ্চনা চৌধুৰী, খণ্ড কাৰ্যসূচী প্ৰবন্ধক জয়ন্ত বড়ো, জ্যেষ্ঠ জিলা নাগৰিক মঞ্চৰ সম্পাদক মদন কলিতা,




আঞ্চলিকৰ সভাপতি সুৰেন ৰাভা, সম্পাদক লোহিত দাস, বড়ো সাহিত্যিক হৰেন বড়ো আদিকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাৰ অন্তত সেউজ দীপাৱলীৰ এক শোভাযাত্ৰা উলিওৱা হয়। শব্দ, বায়ু প্ৰদূষণ বিহীন দীপাৱলী পালন কৰাৰ উদ্দেশ্যে আয়োজন কৰা উক্ত শোভাযাত্ৰা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে তামুলপুৰ জিলাৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে। শোভাযাত্ৰাত অংশগ্ৰহণকাৰীসকলে মাটিৰ চাকি ব্যৱহাৰ কৰক, শব্দ বায়ু প্ৰদূষণবিহীন দীপাৱলী পালন কৰক, আতচবাজী বন্ধ কৰক আদি লিখিত প্লে কাৰ্ড পৰিৱেশন কৰি শব্দ-বায়ু প্ৰদূষণবিহীন দীপাৱলী পালন কৰাৰ বাবে সকলোকে আহ্বান জনায়। শোভাযাত্ৰাটো তামুলপুৰ আঞ্চলিক দুৰ্গা মন্দিৰৰ পৰা আৰম্ভ কৰি তামুলপুৰ মটগাঁচকলৈ যায় আৰু তাৰ পৰা পুনৰ তামুলপুৰ আঞ্চলিক দুৰ্গা মন্দিৰ বাকৰি লৈ উভতি আহে। এই শোভাযাত্ৰাই অঞ্চলটোত সচেতনতাৰ সৃষ্টি কৰা দেখা যায়।

# প্ৰতিবাদত সেও মানিলে হিমন্তই

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

তাৰ পাছতে মুখ্যমন্ত্ৰীৰ নিৰ্দেশত ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাৰ উপস্থিতিত লোকনিৰ্মাণ বিভাগৰ উচ্চপদস্থ বিষয়াৰ এখন জৰুৰী বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত পূৰ্বৰ নক্সা সলনি কৰাৰ সিদ্ধান্ত লোৱা হয়। বিকল্প পথৰ সন্ধানত চৰমজমিন তদন্ত কৰি এসপ্তাহৰ ভিতৰত প্ৰতিবেদন দিব লোকনিৰ্মাণ বিভাগৰ দলে। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে জাৰি কৰা বিবৃতি অনুসৰি নিৰ্মীয়মাণ গোপীনাথ বৰদলৈ উৰণ সেঁতুৰ বাবে পশ্চিম আৰু পূব দীঘলীপুখুৰী পথ পৰিহাৰ কৰাৰ বাবে সম্ভাব্য বিকল্পৰ বিষয়ে আলোচনাৰ হেতু লোক নিৰ্মাণ বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠক অনুষ্ঠিত হয়। দীঘলীপুখুৰী অঞ্চলত ঐতিহ্যবাহী গছ কটা পৰিহাৰ কৰিবলৈ জিএনবি পথ অথবা অন্য বিকল্প পথত উৰণ সেঁতুৰ শেষাংশ হোৱাটো নিশ্চিত কৰিবলৈ বাহন অহা-যোৱাৰ খচৰা প্ৰস্তুত কৰিবলৈ নিৰ্দেশনা জাৰি কৰা হৈছে। লোকনিৰ্মাণ বিভাগৰ এটা দলে এই বিষয়ত অধ্যয়ন কৰি এসপ্তাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব। ঐতিহাসিক দীঘলীপুখুৰীপাৰৰ প্ৰকাণ্ড প্ৰকাণ্ড গছসমূহ নাকাটিবলৈ দাবী জনাই আজি দ্বিতীয় দিনটোতো ৰাইজে দীঘলীপুখুৰীপাৰলৈ ওলাই আহে। আজি কবি নীলিম কুমাৰৰ উপস্থিতিত দীঘলীপুখুৰীপাৰত কেইবাশতাধিক কলেজীয়া ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। গছ কাটিবলৈ দিয়া নহ'ব, চৰকাৰ সাৰ পাওক, উন্নয়নৰ নামত দীঘলীপুখুৰী ধ্বংস কৰিব দিয়া নহ'ব, বন ধ্বংসযজ্ঞ মানি নলও আদি শ্ল'গানেৰে প্ৰতিবাদ জনায়। আজি কেইবাটা গোটে পৃথকে পৃথকে প্ৰতিবাদ সাব্যস্ত কৰাৰ সময়তে আৰক্ষীয়ে প্ৰতিবাদকাৰীক বাধা দিয়ে। শতায়ুগৰকা বৃক্ষসমূহ নাকাটিবলৈ দাবী জনাই ওলাই অহা লোকসকলক গুৱাহাটী আৰক্ষীয়ে বাধা দিয়াত এটা সময়ত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। দীঘলীপুখুৰীৰ গছ কাটি উৰণীয়া সেঁতু নিৰ্মাণ মানি লোৱা নহ'ব বুলি উল্লেখ কৰি আৰক্ষীৰ বাধাৰ পিছতো প্ৰতিবাদ কৰি যায় প্ৰতিবাদকাৰীয়ে। জ্যেষ্ঠ নাগৰিক, ছাত্ৰ, সচেতন সমাজে আজি পুৱাৰে পৰা প্ৰতিবাদ কৰি যোৱাৰ সময়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিশেষ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় "মই আপোনালোকক আশ্বস্ত কৰিব বিচাৰো যে চৰকাৰে আন্তঃগাঁথনি আগুৱাই নিয়াৰ সমান্তৰালকৈ আমাৰ চহৰৰ ঐতিহ্য আৰু পৰিৱেশ সংৰক্ষণৰ দিশতো আমি গভীৰভাৱে প্ৰতিশ্ৰুতিবদ্ধ। দীঘলীপুখুৰীৰ পৰা নুনমাটিলৈ উৰণ সেঁতু নিৰ্মাণৰ ক্ষেত্ৰত আমি আন্তৰিকতাৰে অঞ্চলটোৰ পুৰণি গছবোৰ সুৰক্ষিত ৰখাৰ বাবে কাম কৰি আছো। এটা বিকল্প প্ৰস্তাৱৰ সন্ধান আৰু ইয়াৰ সম্ভাৱনীয়তা মূল্যায়ন কৰাৰ বাবে লোকনিৰ্মাণ বিভাগক কেইদিনমান সময় দিবলৈ মই সকলো অংশীদাৰক আহ্বান জনাইছো।" মুখ্যমন্ত্ৰীয়ে একপ্ৰকাৰ গছ নাকাটো বুলি কোৱাৰ লগতে কিছু সময় বিচাৰিছিল যদিও গুৱাহাটীৰ নাগৰিকে আশ্বস্ত হ'ব নোৱাৰি প্ৰতিবাদ কৰি গৈছে। গুৱাহাটীৰ হাঁওফাঁও খ্যাত সেউজীয়াৰ মনোৰম আকৰ্ষণ দীঘলীপুখুৰীপাৰ ধ্বংস কৰিব দিয়া নহ'ব বুলি হুংকাৰ দি গৈছে প্ৰতিবাদকাৰীয়ে। কোৱা বাহুল্য যে, মুখ্যমন্ত্ৰীৰ আশ্বাসক আশ্বস্ত হ'ব পৰা নাই গুৱাহাটীবাসী। আজি পুৱাই সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে চহৰৰ ঐতিহ্য আৰু পৰিৱেশ সংৰক্ষণৰ দিশত আমি গভীৰভাৱে প্ৰতিশ্ৰুতিবদ্ধ আৰু বিকল্প প্ৰস্তাৱৰ সন্ধান আৰু সম্ভাৱনীয়তা মূল্যায়ন কৰি থকা বুলি গুৱাহাটীবাসীক আশ্বাস দিছিল। কিন্তু গুৱাহাটীৰ নাগৰিক আশ্বস্ত হ'ব পৰা নাই। আজিও পুৱাৰে পৰা মানুহে ৰেলী কৰি, গীত-কবিতা গাই, বৃক্ষৰ তলত বহি প্ৰতিবাদ কৰি গৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিয়া আশ্বাসত গুৱাহাটীবাসী আশ্বস্ত হ'ব নোৱাৰাৰ বাবেই আজিও দীঘলীপুখুৰী পাৰৰ গছ কেইজোপ ৰক্ষা কৰিবলৈ নাগৰিক ওলাই অহা পৰিলক্ষিত হৈছে।প্ৰাকৃতিক সেউজীয়া ধ্বংস কৰি চৰকাৰে কংক্ৰিটৰ মহানগৰ তৈয়াৰ কৰিব খোজা কাৰ্যক মানি নোলোৱাৰ হুংকাৰ দি ৰাজ্য চৰকাৰক সিদ্ধান্ত শীঘ্ৰে বাতিল কৰিবলৈ সময়সীমা বান্ধি দিছে প্ৰতিবাদকাৰীসকলে। ঐতিহ্যমণ্ডিত দীঘলীপুখুৰী পাৰ গুৱাহাটীৰ প্ৰণাকেন্দ্ৰ স্বৰূপ। এই প্ৰাণকেন্দ্ৰক অন্যতম অংগ হৈছে প্ৰকাণ্ড প্ৰকাণ্ড গছ কেইডাল। এই গছ কেইডাল নথকা মানেই দীঘলীপুখুৰী পাৰৰ অস্তিত্ব শেষ বুলি ক'লেও ভুলকৈ কোৱা নহ'ব। যাৰ বাবে নাগৰিকে প্ৰতিবাদ অব্যাহত ৰাখিছে। উল্লেখ্য যে, ৰিজাৰ্ভ বেংকৰ পৰা গুৱাহাটী ক্লাব হৈ নুনমাটিলৈ নিৰ্মাণ হৈ থকা গুৱাহাটীৰ সবাতোকৈ দীঘল উৰণীয়া সেঁতুখন নিৰ্মাণৰ বাবে দীঘলীপুখুৰীপাৰৰ প্ৰায় ৩০ জোপা ডেৰ-দুশ বছৰীয়া প্ৰকাণ্ড প্ৰকাণ্ড গছ কাটি পোলোৱাৰ সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰে। ইতিমধ্যে গছসমূহত কাট মাৰ্ক দি কাটিবলৈ যো-জা চলোৱাত গুৱাহাটীবাসী ক্ষুন্ন হৈ পৰিছে।

# পাণবজাৰ থানাত দীপাংকৰক

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

বৰ্মনক লৈ গুৱাহাটী বিমান বন্দৰত উপস্থিত হয়। বিমান বন্দৰৰ পৰা পোনেপোনে পাণবাজৰ আৰক্ষী থানালৈ আনে। বিলাসী জীৱন কটোৱা প্ৰৱঞ্চকজনে নিশা পাণবজাৰ আৰক্ষী থানাৰ লকআপত কটায়। পুৱা দীপাংকৰ বৰ্মনক পাণবজাৰ আৰক্ষী থানাত ৰখাৰ খবৰ লাভ কৰি একাংশ লোকেৰে পাণবজাৰ আৰক্ষী থানা চৌহদ ভৰি পৰে। পাণবজাৰ আৰক্ষী থানা চৌহদত ভিৰ কৰা লোকসকল দীপাংকৰৰ কোম্পানীত ধন বিনিয়োগ কৰা লোক বুলি জানিব পৰা গৈছে। একাংশ পুৰুষ-মহিলাই বিষন্ন মনেৰে ধন বিচাৰি আহি কঙাল হৈ পৰা বুলি উল্লেখ কৰে। এগৰাকী লোকে সাংবাদিকৰ কেমেৰাৰ সন্মুখত সেমেকা চকুৰে কয়, 'মই ৯০ লাখ টকা বিনিয়োগ কৰিছিলো। কিন্তু আজি মোৰ ভাতসাজ খাবলৈ টকা নাই। সকলো টকা দীপাংকৰে শেষ কৰিলে বুলি কয়।' আনহাতে আন এগৰাকী মহিলাই নিজে মুখে কেইবা লক্ষ টকা বিনিয়োগ কৰা বুলি স্বীকাৰ কৰি সেই ধন বিচাৰি অহা বুলি কয়। সমবেত বহু লোকে লক্ষ লক্ষ টকা দীপাংকৰৰ ডি.বি ষ্টকত জমা কৰাৰ কথা স্বীকাৰ কৰি ধন উভতাই পোৱাৰ আশাৰে পাণবজাৰ আৰক্ষী থানাত হাজিৰ হয়। ইপিনে দীপাংকৰ বৰ্মনক আজি গুৱাহাটী মহানগৰ আৰক্ষীৰ কেইবাগৰাকী উচ্চপদস্থ বিষয়াই জেৰা কৰে। জেৰাৰ সময়ত দীপাংকৰ বৰ্মনে কেইবাটাও ৰহস্য ভেদ কৰা বুলি জানিব পৰা গৈছে। বিনিয়োগকাৰীৰ পৰা ধন সংগ্ৰহ কৰি কোনো ট্ৰেডিঙত জমা কৰা নাছিল। বিনিয়োগকাৰীৰ ধন দুগুণ কৰি উভতাই দিয়াৰ প্ৰতিশ্ৰুতি দি সেই ধন লাহ-বিলাহ কৰাৰ লগতে বিলাসী গাড়ী, ঘৰ-সম্পত্তি ক্ৰয় কৰাত ব্যৱহাৰ কৰিছিল। কোটি কোটি টকা বিলাসৰ নামত উৰুৱাই দিছিল প্ৰৱঞ্চকজনে। মদ, ভ্ৰমণ, বিলাসী গাড়ী, পৰিয়াল, প্ৰেমিকা, প্ৰেমিকাৰ পৰিয়াল আদিৰ নামত সেই ধন উৰুৱাই দিছিল। আজি পুৱাৰে পৰা জেৰা কৰাৰ অন্তত গুৱাহাটী আৰক্ষীয়ে প্ৰৱঞ্চক বৰ্মনক কামৰূপৰ মুখ্য ন্যায়াধীশৰ আদালতত হাজিৰ কৰাই পুনৰ জিম্মাত বিচৰাত আদালতে দীপাংকৰক আৰক্ষীৰ জিম্মাত প্ৰদান কৰে। গোৱাত লুকাই থকা অৱস্থাত ২৭ অক্টোবৰত দীপাংকৰ বৰ্মনক গ্ৰেপ্তাৰ কৰিছিল গোৱা আৰক্ষী আৰু অসম আৰক্ষীয়ে। দুমাহ মাহ ধৰি গোৱাত আত্মগোপন কৰি থকা দীপাংকৰ বৰ্মনক ২৭ লাখ টকা আৰু সোণসহ গ্ৰেপ্তাৰ কৰা হৈছিল। বৰ্মনে অসমৰ লগতে কেইবাখনো ৰাজ্যত ডি.বি ষ্টক নামৰ কোম্পানীৰ এজেণ্ট নিয়োগ কৰি ধন সংগ্ৰহ কৰিছিল। ট্ৰেডিঙত ধন বিনিয়োগ কৰি দুগুন কৰাৰ প্ৰতিশ্ৰুতি দিছিল। দীপাংকৰে পলায়ন কৰি থকা অৱস্থাত ২১ অক্টোবৰত গুৱাহাটী আৰক্ষীয়ে প্ৰেমিকা, পিতৃ-মাতৃ চবিন বৰ্মন, দীপালি তালুকদাৰ আৰু চিএ মহেশ আগৰৱালাক গ্ৰেপ্তাৰ কৰিছিল। দীপাংকৰে পিতৃ-মাতৃৰ একাউণ্টৰ জৰিয়তে কোটি কোটি টকাৰ লেনদেন কৰাৰ তথ্য লাভ কৰিছিল পাণবজাৰ আৰক্ষীয়ে। ধন লেন-দেনৰ সঠিক তথ্য দিব নোৱৰাত আৰক্ষীয়ে পিতৃ-মাতৃ আৰু চিএক গ্ৰেপ্তাৰ কৰিছিল। উল্লেখ্য যে, মহানগৰীৰ উলুবাৰীত ডি.বি ষ্টক ব্ৰকিং কনছালটেন্সী নামৰ বিত্তীয় প্ৰতিষ্ঠান খুলি কোটি কোটি টকা লুণ্ঠন কৰি পলাতক হৈ আছিল প্ৰৱঞ্চক দীপাংকৰ বৰ্মন। কেবাখনো বিলাসী বাহন জব্দ কৰি দীপাংকৰক বিচাৰি অভিযানকাৰী অসমৰ আৰক্ষীৰ দলে দেশৰ ভিন্নপ্ৰান্তত দুকুৰি দিন অভিযান চলাই আহিছিল।

**প্ৰথম পৃষ্ঠাৰ পৰা...**

# আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত

ডোনাল্ড ট্ৰাম্পৰ দল ৰিপাব্লিকান পাৰ্টিৰ এজন নেতা। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, ৰিগিঙৰ অভিযোগত গ্ৰেপ্তাৰ কৰা নেতাজন হৈছে লেৰী চেভেজ। উল্লেখ্য যে, ইণ্ডিয়ানা ষ্টেটৰ পৰা ৰিপাব্লিকান পাৰ্টিৰ টিকটত আমেৰিকাৰ কংগ্ৰেছৰ নিম্ন সদনৰ 'হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভছ' নিৰ্বাচনতো প্ৰতিদ্বন্দ্বিতা কৰিছিল লেৰীয়ে। মঙলবাৰে ভোটদান পৰ্ব আৰম্ভ হোৱাৰ পূৰ্বে ইণ্ডিয়ানাৰ মেডিচন কাউণ্টিৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত বেলট পৰীক্ষা কৰা হয়। সেই সময়তে পোহৰলৈ আহে ভোটগ্ৰহণ কেন্দ্ৰটোৰ পৰা তিনিখন বেলট চুৰি হোৱাৰ কথা। ইয়াৰ পিছতে আৰক্ষীয়ে চিচিটিভি ফুটেজ পৰীক্ষা কৰাত লেৰী চেভেজ বেলট কেইখন জেপত ভৰোৱাৰ দৃশ্য প্ৰত্যক্ষ হয়। পৰৱৰ্তী সময়ত ৰিপাব্লিকানৰ নেতাগৰাকীৰ বাসগৃহত আৰক্ষীয়ে তালাচী চলাই উদ্ধাৰ কৰিবলৈ সক্ষম হয় চুৰি হোৱা বেলট কেইখন। লক্ষণীয় যে, এই চুৰিকাণ্ড ধৰা পৰাৰ পিছত আৰক্ষীয়ে অভিযুক্ত নেতাজনক গ্ৰেপ্তাৰ কৰি বুধবাৰে আদালতত হাজিৰ কৰোৱাত আদালতে তেওঁক পাঁচশ ডলাৰ (ভাৰতীয় মূল্যত প্ৰায় ৪২ হাজাৰ টকা) ব্যক্তিগত বণ্ডত মুকলি কৰি দিয়ে। প্ৰসঙ্গতঃ, ৫ নৱেম্বৰৰ নিৰ্বাচনৰ পূৰ্বে আমেৰিকাৰ ৪০খন ৰাজ্যই বেলট সংগ্ৰহ কৰি আগতীয়াকৈ ভোটদান আৰম্ভ কৰিছে। মন কৰিবলগীয়া যে, এইবাৰ ৰিপাব্লিকানৰ নেতা ডোনাল্ড ট্ৰাম্পৰ বিৰুদ্ধে ৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়াইছে ডেম'ক্ৰেটিক পাৰ্টিৰ বিদায়ী উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছে। নিৰ্বাচনৰ পূৰ্বে বিভিন্ন সংস্থাই প্ৰকাশ কৰা আগতীয়া সমীক্ষাত দুয়োজন নেতাৰ মাজতে এইবাৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰা হৈছে।

**প্ৰথম পৃষ্ঠাৰ পৰা...**

# ধেমাজিত ত্ৰিছ হাজাৰ টকাত

দৰিদ্ৰতাই ভয়াবহ ৰূপ লোৱা বুলি বিৰোধী দলসমূহে উত্থাপন কৰি অহা অভিযোগকে যেন সঁচা প্ৰমাণিত কৰিলে উজনি অসমৰ ধেমাজি জিলাত। নিজ গৰ্ভত ১০ মাহ ১০ থিতাপি লোৱা আৰু প্ৰসৱ বেদনাৰ ছটফটাই কন্যা সন্তানৰ মাতৃ হোৱা এগৰাকী মাতৃয়ে নিজৰ কোলাৰ কেঁচুৱাক দৰিদ্ৰতাৰ বাবে বিক্ৰী কৰাৰ ঘটনাই সভ্য সমাজক জোকাৰি গৈছে। দৰিদ্ৰ পৰিয়ালে টকাৰ অভাৱত পানী কেঁচুনা বিক্ৰীৰ ঘটনাই তীব্ৰ চাঞ্চল্য অব্যাহত আছে ধেমাজি জিলাত। ধেমাজি জিলাৰ নিলখ সুন্দৰপুৰ গাঁৱৰ বুধিমান বৰাৰ পত্নী সবিতা বৰাই অসম চিকিৎসা মহাবিদ্যালয়ত সন্তানটো প্ৰসৱ কৰিছিল। পিতৃ-মাতৃয়ে সন্তান প্ৰসৱৰ পাছতে আইচিইউ এৰি পলায়ন কৰিছিল। পিতৃ-মাতৃক ধেমাজি শিশু কল্যাণ বিভাগৰ কাৰ্যালয়ত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়াত চিকিৎসা মহাবিদ্যালয়ৰ পৰা ঘৰলৈ উভতি অহাৰ পথত নৱজাতকৰ মৃত্যু হোৱাত ব্ৰহ্মপুত্ৰত শেষকৃত্য সম্পন্ন কৰা হয় বুলি সাক্ষ্য প্ৰদান কৰিছিল। কিন্তু শিশু কল্যাণ বিভাগ গোপনে কৰা তদন্তত সকলো তথ্য পোহৰলৈ আহে। ৩০ হাজাৰ টকাত জোনাইৰ ডাঃ চন্দ্ৰজিৎ দলে আৰু বেবী পেগু চহৰীয়াক বিক্ৰী কৰিছিল নিজৰ কন্যাক। জোনাইৰ লিংকপথৰ জোনাকী নগৰস্থিত শিশুৰোগ বিশেষজ্ঞ ডাঃ চন্দ্ৰজিৎ দলে আৰু বেবী পেগু চহৰীয়াৰ বাসগৃহৰ পৰা ইতিমধ্যে কেঁচুৱাটো উদ্ধাৰ কৰা হৈছে। পানী কেঁচুৱা বিক্ৰীৰ অভিযুক্ত পিতৃ, মাতৃ আৰু মধ্যস্থতাকাৰীক ধেমাজী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। পিতৃ-মাতৃ বুধিমান বৰা, সবিতা বৰা, ভিডিপি সদস্য বুবুল বৰা, দিলীপ শইকীয়াক গ্ৰেপ্তাৰ কৰিছে জিলাখনৰ চিলাপথাৰ আৰক্ষীয়ে। শিশু কল্যাণ সমিতিয়ে দাখিল কৰাৰ এজাহাৰৰ ভিত্তিত আটাইকেইজনক গ্ৰেপ্তাৰ কৰা হয়। অসম চিকিৎসা মহাবিদ্যালয়ত বিক্ৰীৰ কথা ঠিক হৈছিল। এমআৰডি নাৰ্চিংহোম স্বত্বাধিকাৰী তথা শিশু বিশেষজ্ঞ ডাঃ চন্দ্ৰজিৎ দলেয়ে গ্ৰেপ্তাৰৰ ভয়ত আগতীয়া জামিন লোৱাৰ ব্যৱস্থা কৰা বুলি জানিব পৰা গৈছে। পানী কেঁচুৱা ক্ৰয়ত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল ধেমাজিৰ নিলখ কৈলাশপুৰৰ দিলীপ শইকীয়াই। গ্ৰেপ্তাৰৰ পাছত দিলীপ শইকীয়াই অসম চিকিৎসা মহাবিদ্যালয়তে কেঁচুৱাটো বিক্ৰী কৰা বুলি দাবী কৰিছে। ডাঃ চন্দ্ৰজিৎ দল আৰু বেবী পেগু চহৰীয়াই সন্তানকটোক ক্ৰয় কৰিছিল এগৰাকী নাৰ্চে। নাৰ্চগৰাকী বেবী পেগুৰ আত্মীয়। নাৰ্চগৰাকীৰ সৈতে গাঁওৰক্ষী বাহিনীৰ সদস্য বুবুল বৰায়ো কেঁচুৱা বিক্ৰীত সহায় কৰে। চিলাপথাৰ আৰক্ষী থানাত ধেমাজি শিশু কল্যাণ সমিতিৰ অধ্যক্ষাই এজাহাৰ দাখিল কৰিছিল। এজাহাৰৰ ভিত্তিত চিলাপথাৰ আৰক্ষীয়ে ২০৯/২০২৪ নম্বৰত ন্যায় সংহিতাৰ ৬১(২)/১৪৩(৪)//ডব্লিউ ৭৫/৮১ ধাৰাত গোচৰ ৰুজু কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰি নৱজাতকৰ পিতৃ বুদ্ধিমান বৰা, মাতৃ সবিতা বৰা আৰু গাঁওৰক্ষী বাহিনীৰ সদস্য বুবুল বৰা আৰু দিলীপ শইকীয়াক গ্ৰেপ্তাৰ কৰিছে। ধেমাজি নিলখ সুন্দৰপুৰ গাঁৱৰ সবিতা বৰা আৰু বুদ্ধিমান বৰাৰ পূৰ্বে চাৰিটি সন্তান থকাৰ বাবেই দৰিদ্ৰতাৰ হেতু পঞ্চম সন্তান বিক্ৰী কৰিছিল বুলি জানিব পৰা গৈছে। একেটা গোচৰতে অভিযুক্ত নৱজাতক ক্ৰেতা চিকিৎসক ডাঃ চন্দ্ৰজিৎ দলে আৰু বেবী পেগু চহৰীয়াক গ্ৰেপ্তাৰ নকৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। শীঘ্ৰে দুয়োকে গ্ৰেপ্তাৰৰ দাবী জনাইছে সচেতন মহলে।

**প্ৰথম পৃষ্ঠাৰ পৰা...**

# ছলমানক হত্যাৰ ভাবুকি দি গ্ৰেপ্তাৰ

হ'ল এজন টেটু আৰ্টিষ্ট। ছলমান খানক মৃত্যুৰ ভাবুকি প্ৰদান কৰাৰ অভিযোগত নয়ডাৰ পৰা ইতিমধ্যে মুম্বাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে ২০ বৰ্ষীয় টেটু আৰ্টিষ্ট গুৰফান খানক। জানিব পৰা মতে, ইয়াৰ পূৰ্বে বাবা ছিদ্দিকীৰ পুত্ৰ জিছান ছিদ্দিকীকো হত্যাৰ ভাবুকি প্ৰদান কৰিছিল এই টেটু আৰ্টিষ্টজনে। ছলমান খান আৰু জিছান ছিদ্দিকীক হত্যাৰ বাবে বৃহৎ ষড়যন্ত্ৰ ৰচনা কৰা হৈছে আৰু সেই বিষয়ে সকলো কথাই জানে বুলি ভাবুকি প্ৰদান কৰিছিল গুৰফান খান নামৰ টেটু আৰ্টিষ্টজনে। ফোনযোগে প্ৰদান কৰা এই ভাবুকিৰ পিছতে অভিযুক্তৰ সন্ধান আৰম্ভ কৰে মুম্বাই আৰক্ষীয়ে। ইয়াৰ পিছতে ফোন নম্বৰ ট্ৰেচ কৰি নয়ডাৰ পৰা গুৰফানক গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষীৰ জেৰাত অভিযুক্তজনে স্বীকাৰ কৰা মতে, অভিনেতা ছলমান খান আৰু জিছান ছিদ্দিকীক পুনৰ ভাবুকি প্ৰদান কৰি তেওঁ ধন দাবীৰ পৰিকল্পনা কৰিছিল। ধনৰ বিনিময়ত হত্যাৰ চক্ৰান্তৰ তথ্য দিয়াৰ পৰিকল্পনা কৰিছিল টেটু আৰ্টিষ্টজনে। অভিযুক্তজনে লগতে কয় যে তেওঁৰ ভাবুকিৰ পিছত ভীতিগ্ৰস্ত হৈ ছলমান খান আৰু জিছান ছিদ্দিকীয়ে তেওঁৰ সৈতে যোগাযোগ কৰিব বুলি আশা কৰিছিল। কিন্তু গুৰফানৰ এই আশাত চেঁচা পানী ঢালে মুম্বাই আৰক্ষীয়ে। প্ৰণিধানযোগ্য যে, যোৱা ১২ অক্টোবৰত পুত্ৰ জিছানৰ কাৰ্যালয়ৰ সন্মুখত হত্যা কৰা হৈছিল প্ৰাক্তন কংগ্ৰেছ নেতা বাবা ছিদ্দিকীক। পৰৱৰ্তী সময়ত এই হত্যাকাণ্ডৰ কথা স্বীকাৰ কৰে লৰেন্স বিষ্ণোইয়ে। ইফালে অভিনেতা ছলমান খানক ধাৰাবাহিকভাৱে প্ৰদান কৰা ভাবুকিৰ পিছত তেওঁৰ নিৰাপত্তা বৃদ্ধি কৰা হৈছে। শেহতীয়াকৈ ছলমান খানে ডুবাইৰ পৰা এখন অত্যাধুনিক বুলেটপ্ৰুফ বাহন ক্ৰয় কৰা বুলিও চৰ্চা চলিছে। উল্লেখ্য যে বিগত কিছুদিন ধৰি ধনৰ লোভত কেবাজনো লোকে ছলমানক হত্যাৰ ভাবুকি প্ৰদান কৰি ধৰা পৰি আহিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘গছতকৈ মোমাই ডাঙৰ নহয়’

বাবে মুখ্যমন্ত্ৰী মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকে জগৰীয়া কৰিছে একাংশ লোকে। সামাজিক মাধ্যমত বিভিন্ন লোকে দীঘলীপুখুৰীপাৰৰ গছ কাটিবলৈ লোৱা সিদ্ধান্তৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকে জগৰীয়া কৰি সমালোচনা কৰিছে। তাৰ মাজতে শৰাইঘাটৰ যুদ্ধত পৰাক্ৰমী মোগলক পৰাস্ত কৰা মহানবীৰ, যোদ্ধা লাচিত বৰফুকনৰ ‘দেশতকৈ মোমাই ডাঙৰ নহয়’ ঐতিহাসিক ভাষ্যক সাৰোগত কৰি ‘গছতকৈ মোমাই ডাঙৰ নহয়’ বুলি এক পোষ্টাৰ প্ৰতিবাদকাৰী ছাত্ৰই ব্যৱহাৰ কৰা পৰিলক্ষিত হৈছে। ‘গছতকৈ মোমাই ডাঙৰ নহয়’ শীৰ্ষক পোষ্টাৰখন ব্যাপক হাৰত ভাইৰেল কৰা হৈছে। কিয়নো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক যুৱক-যুৱতীসকলে ‘মামা’ বুলি সম্বোধন কৰে। তেনেদৰেই ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীয়ে ‘গছতকৈ মোমাই ডাঙৰ নহয়’ লিখা পোষ্টাৰখন হাতত লৈ দীঘলীপুখুৰীপাৰত প্ৰতীকী ৰূপত ব্যৱহাৰ কৰা পৰিলক্ষিত হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক লক্ষ্য কৰি এনেদৰে সামাজিক মাধ্যমত প্ৰচাৰ কৰি একাংশ লোকে দীঘলীপুখুৰী পাৰৰ গছ নাকাটিবলৈ দাবী উত্থাপন কৰিছে। ২৯ অক্টোবৰত দীঘলীপুখুৰী পাৰৰ গছ ৰক্ষাৰ দাবীত গুৱাহাটীৰ কেইবা শতাধিক লোকে প্ৰতিবাদ সাব্যস্ত কৰাৰ সময়ত ‘গছতকৈ মোমাই ডাঙৰ নহয়’ শ্ল’গান লিখা এখন পোষ্টাৰ ব্যৱহাৰ হৈছিল। সেই পোষ্টাৰখন সামাজিত মাধ্যমত ইতিমধ্যে ভাইৰেল হৈছে। কেৱল এখন পোষ্টাৰেই নহয়, সামাজিক মাধ্যমত বিভিন্ন প্ৰকাৰে গুৱাহাটীৰ হাঁওফাওঁ সদৃশ দীঘলীপুখুৰী পাৰৰ গছসমূহ নাকাটিবলৈ দাবী উত্থাপন কৰি গৈছে। এনে প্ৰতিবাদতে সেও মানি সিদ্ধান্ত সলাবলৈ বাধ্য হৈ পৰে হিমন্ত চৰকাৰ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হাজোত নিশা খিৰিকিৰে দুৰ্বৃত্তৰ

অৱস্থাত এটি পৰিয়ালৰ ওপৰত দুৰ্বৃত্তৰ দলে খিৰিকিৰে এচিড নিক্ষেপ কৰে। এই ভয়ংকৰ ঘটনাত পুত্ৰ-কন্যাসহ এগৰাকী মহিলা গুৰুতৰভাৱে আহত হৈছে বুলি জানিব পৰা গৈছে। ভুক্তভোগী পৰিয়ালটোৰ ভাষ্য অনুসৰি দুৰ্বৃত্তৰ দলে পৰিয়ালটোৰ কিশোৰী গৰাকীলৈ লক্ষ্য কৰি চলাইছিল এই এচিড আক্ৰমণ। প্ৰেমজনিত কাৰণতেই এই ঘটনা সংঘটিত হোৱাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে। জানিব পৰা মতে, হাজোৰ হাবলাখা গাঁৱৰ এজন যুৱকে প্ৰেমৰ প্ৰস্তাৱ দি উক্ত পৰিয়ালটোৰ কিশোৰীগৰাকীক বাৰে বাৰে দি আহিছিল বিভিন্ন ধৰণৰ ভাবুকি। সেয়ে ভীতিগ্ৰস্ত পৰিয়ালটোৱে নিজৰ ঘৰত থকাৰ বিপৰীতে খোপনিকুচিৰ মোমায়েকৰ ঘৰত মাতৃৰ সৈতে থাকিবলৈ লৈছিল কিশোৰী গৰাকী। তেনে সময়তেই মঙলবাৰে নিশা প্ৰায় ১২ বজাত খোপনিকুছিৰ মোমায়েকৰ ঘৰতেই এচিড আক্ৰমণৰ বলি হ’ল কিশোৰীগৰাকীৰ লগতে মাতৃ আৰু ভাতৃ। এই ঘটনাত গুৰুতৰভাৱে আহত তিনিওজনকে সংকটজনক অৱস্থাত গুৱাহাটী মেডিকেল কলেজ হাস্পাতালত ভৰ্তি কৰোৱা হৈছে। নিশা শুই থকা অৱস্থাত খিৰিকিৰে দুৰ্বৃত্তই সংঘটিত কৰা এই এচিড আক্ৰমণৰ ঘটনাই এতিয়া খোপনিকুছি অঞ্চলৰ লগতে সমগ্ৰ হাজোতে সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। ঘটনা সন্দৰ্ভত হাজো থানাত দাখিল কৰা হৈছে এজাহাৰ।

# অইল ইণ্ডিয়াৰ কাৰ্যবাহী সঞ্চালক উৎপল জেনাক বিদায় সম্ভাষণ ঠিকাদাৰ সংস্থাৰ



**ই-সংবাদ, দুলীয়াজান, ৩০ অক্টোবৰঃ** অইল ইণ্ডিয়া লিমিটেডৰ কৰ্মদক্ষ বিষয়া তথা ঠিকা আৰু ক্ৰয় বিভাগৰ কাৰ্যবাহী সঞ্চালক উৎপল চন্দ্ৰ জেনাক অইল ইণ্ডিয়া ঠিকাদাৰ সন্থাই কালি আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জ্ঞাপন কৰে। ঠিকাদাৰ সন্থাৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত উক্ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তৈল প্ৰতিষ্ঠানটোৰ নৱ-নিযুক্ত আৱাসিক মুখ্য বিষয়া ৰূপজ্যোতি ফুকনকো সম্বৰ্ধনা জনোৱা হয়। ঠিকাদাৰ সন্থাৰ সাধাৰণ সম্পাদক পৰাণজ্যোতি গগৈয়ে আঁতধৰা অনুষ্ঠানটোত সভাপতি বিশ্বজিৎ কাকতি, ঠিকা আৰু ক্ৰয় বিভাগৰ কাৰ্যবাহী সঞ্চালক অনিতা ডাম, অসামৰিক অভিযান্ত্ৰিক বিভাগৰ মহাপ্ৰবন্ধক জয়ন্ত ফুকন, ঠিকা বিভাগৰ মুখ্য মহাপ্ৰবন্ধক অৰূপজ্যোতি শৰ্মা, উপস্থিত থাকি উৎপল জেনাৰ কাৰ্যদক্ষতা সন্দৰ্ভত আলোকপাত কৰে। অইলৰ নৱ-নিযুক্ত আৱাসিক মুখ্যবিষয়া ৰূপজ্যোতি ফুকনে উৎপল জেনাক এজন উচ্চপদস্থ বিষয়াৰ পৰিৱৰ্তে এজন গুৰু হিচাপে অভিহিত কৰি কৰ্মজীৱনত তেওঁৰপৰা লাভকৰা সহায়-সহযোগিতা আৰু বহুমূলীয়া পৰামৰ্শই উপকৃত কৰাৰ কথা সোঁৱৰণ কৰে। আন বক্তাসকলেও জেনাক গুৰু হিচাপে অভিহিত কৰে। উল্লেখ্য যে ১৯৮৬ চনত জেনাই শ্ৰীনগৰৰ ৰিজ’নেল কলেজ অব ইঞ্জিনীয়াৰিঙৰ পৰা মেকানিকেল বিভাগত বি ই ডিগ্ৰী লাভ কৰি ১৯৮৭ চনত অইল ইণ্ডিয়া লিমিটেডৰ সামগ্ৰী বিভাগত ট্ৰেইনি ইঞ্জিনীয়াৰ হিচাপে যোগদান কৰে। ইয়াৰ পিছত নিজৰ কৰ্মদক্ষতাৰ বলত অইলৰ ৰাজস্থান প্ৰকল্পসহ প্ৰতিষ্ঠানটোৰ বিভিন্ন বিভাগৰ গুৰু দায়িত্ব পালন কৰি অৱশেষত ঠিকা আৰু ক্ৰয় বিভাগৰ কাৰ্যবাহী সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰে। কালিৰ অনুষ্ঠানটোত অইল ইণ্ডিয়াৰ অসামৰিক অভিযান্ত্ৰিক বিভাগৰ শতাধিক ঠিকাদাৰকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

# ২২ সংখ্যক ওদালগুৰি জিলা দিৱস পালন

**ই-সংবাদ, ওদালগুৰি, ৩০ অক্টোবৰঃ** বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দল, জনগোষ্ঠীয় লোকৰ অংশগ্ৰহণেৰে উলিওৱা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাই মুহিলে ওদালগুৰিবাসী ৰাইজক। ২২ সংখ্যক ওদালগুৰি জিলা দিৱস উপলক্ষে আজি আবেলি স্থানীয় বিষ্ণু ৰাভা কৃষ্টি সংঘৰ পৰা উলিওৱা হয় এক শোভাযাত্ৰা। এই শোভাযাত্ৰাত স্থানীয় বিধায়ক তথা বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী, জিলা আয়ুক্ত পুলক পাটগিৰিকে ধৰি বহু বিশিষ্ট নাগৰিকেও অংশগ্ৰহণ কৰে। ২০০৩ চনৰ ৩০ অক্টোবৰত এক চৰকাৰী নিৰ্দেশনাৰ জৰিয়তে অবিভক্ত দৰং জিলাৰ পৰা জন্ম হোৱা অসমৰ বড়োলেণ্ড টেৰিটৰিয়েল কাউঞ্চিলৰ অন্যতম জিলা ওদালগুৰিয়ে আজি ২১ বছৰ সম্পূৰ্ণ কৰিলে। সেই উপলক্ষে আজি দিনজোৰা কাৰ্যসূচীৰে ওদালগুৰি জিলা আয়ুক্ত কাৰ্যালয়ৰ পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত হৈছে ওদালগুৰি জিলা দিৱসৰ বিভিন্ন কাৰ্যসূচী। জিলা দিৱস উপলক্ষে পুৱা ৯.০০ বজাত জিলাখনৰ সকলো শিক্ষানুষ্ঠানতে প্ৰাতঃসভাত ওদালগুৰি জিলা গঠনৰ চমু আলোকপাত কৰা হয়। ইয়াৰ পাছতেই ক্ৰমে জিলা দিৱস উদযাপনস্থলীত প্ৰদৰ্শনী, থলুৱা উৎপাদিত সামগ্ৰী, থলুৱা খাদ্য আদিৰ বিপণীৰে এক সুন্দৰ পৰিবেশ গঢ়ি তোলা হয়। আবেলি ২.৪০ বজাৰ পৰা আৰম্ভ কৰা হয় সাংস্কৃতিক শোভাযাত্ৰা। উক্ত শোভাযাত্ৰাটি জিলা দিৱস উদযাপনস্থলীত প্ৰৱেশ কৰাৰ লগে লগে বড়ো কৃষ্টি আৰু বাথৌ সমাজৰ ৰীতি-নীতিৰে শোভাযাত্ৰাটিক আদৰণি জনোৱা হয়। ইয়াৰ পিছতে আৰম্ভ হয় মুকলি কুইজ প্ৰতিযেগিতা। অনুষ্ঠানটোৰ আঁত ধৰে সহকাৰী আয়ুক্ত কাশ্যপী কাশ্যপে। সমান্তৰালভাৱে জিলা আয়ুক্ত পুলক পাটগিৰিয়ে জিলা দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে উপস্থিত সকলোকে আদৰণি জনায়। অনুষ্ঠানত বিধায়কদ্বয় গোবিন্দ চন্দ্ৰ বসুমতাৰী, চৰন বড়ো, জিলা আৰু সত্ৰ ন্যায়ধীশ এছ এন দেউৰীৰ লগতে কেবাগৰাকীও বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে। ৪.৩০ বজাৰ পৰা বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ মাজতে জিলাখনৰ সাহিত্য, সংস্কৃতি, কৃষি খণ্ডকে ধৰি বিভিন্ন দিশত অৰিহনা যোগোৱা ৩২ গৰাকী ব্যক্তিক জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। তেওঁলোক হ'ল ক্ৰমে মিনন মোছাহাৰী, এম. এছ শৰাইঘাট এন্টাৰপ্ৰাইজ, সুবিৰ সৰকাৰ, এম. এছ ঠাকুৰীয়া বুড ক্ৰাফ্ট, ৰমাশ্ৰী উইভিং চেণ্টাৰ, অমলা ব্ৰহ্ম, ৰঞ্জনজ্যোতি শৰ্মা, দিপক কুমাৰ প্ৰধান। নিশা আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সংগীত পৰিৱেশন কৰা হ'ব।

### পুৰণিগুদামৰ সংবাদমেল পাতি কংগ্ৰেছক তীব্ৰ কটাক্ষ মন্ত্ৰী বিমল বৰাৰ

# ‘ভয়-ভাবুকিৰে নিৰ্বাচন পাৰ কৰাৰ কৌশল কংগ্ৰেছৰ’

**ই-সংবাদ, পুৰণিগুদাম, ৩০ অক্টোবৰঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিত অহা ১৩ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে বৰ্তমান সময়ত গৰম হৈ পৰিছে চামগুৰি সমষ্টিৰ পৰিৱেশ। মুঠ ১,৮০,৪৪৮ গৰাকী ভোটৰে ভোটাধিকাৰ সাব্যস্ত কৰিব লগা সমষ্টিৰ উপ-নিৰ্বাচনৰ মূল যুঁজখন বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মা আৰু কংগ্ৰেছৰ প্ৰাৰ্থী তানজিল হুছেইনৰ মাজতে সীমাবদ্ধ থাকিব। দুয়োগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰত কেইবাজনো ৰথী-মহাৰথী নিৰ্বাচনী পথাৰত নামি পৰিছে। বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাক জয়ী কৰাবলৈ চামগুৰি সমষ্টিত মন্ত্ৰী বিমল বৰাক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই বিশেষভাৱে দায়িত্ব অৰ্পণ কৰাৰ বাবে মন্ত্ৰীগৰাকীয়ে ইতিমধ্যে চামগুৰি সমষ্টিত বাহৰ পাতিছে। কালি মন্ত্ৰীগৰাকীয়ে ভৰাগুৰি গাঁও পঞ্চায়তত ঘৰে-ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে আজি মন্ত্ৰী বৰাই দুখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। আজি মন্ত্ৰীগৰাকীয়ে পুৰণিগুদাম সুতাৰ গাঁও আৰু খাটোৱাল পঞ্চায়তৰ দুখনকৈ নিৰ্বাচনী প্ৰচাৰ চলাই বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাক ভোট দিবলৈ আহ্বান জনায়। নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিবলৈ আহি পুৰণিগুদাম সুতাৰ পঞ্চায়তত এখন সংবাদমেলৰ আয়োজন কৰি মন্ত্ৰী বিমল বৰাই কয় যে চামগুৰিৰ উপ-নিৰ্বাচনত এক বীভৎস্যময় পৰিৱেশ, হত্যা, হিংসা আদিৰ পৰিৱেশ ৰচনাৰ কাৰণে কংগ্ৰেছ দলে চেষ্টা কৰিছে। আৰক্ষীয়ে নিৰ্বাচনৰ পৰিৱেশ শান্তিপূৰ্ণ কৰি ৰাখিবৰ বাবে নিৰ্বাচনৰ পূৰ্বে দুৰ্দ্ধৰ্ষ অপৰাধীক জে'ললৈ প্ৰেৰণ কৰে। কিন্তু এনেধৰণৰ দুৰ্দ্ধৰ্ষ অপৰাধীক মোকোলাই আনিবৰ বাবে কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন সিকদাৰ আৰু ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে নিৰ্বাচন আয়োগলৈ এক পত্ৰ প্ৰেৰণ কৰিছে। ভাৰতৰ নিৰ্বাচন আয়োগলৈ এই তিনিজনৰ স্বাক্ষৰ সম্বলিত পত্ৰত, আৰফান আলী, আৰিফুল ইছলাম আৰু আজিজুল হকক আৰক্ষীয়ে বিনা কাৰণত আটক কৰিছে বুলি উল্লেখ কৰি নিৰ্বাচন আয়োগলৈ পত্ৰ প্ৰেৰণ কৰি এই তিনিজন কংগ্ৰেছ নেতৃত্বই দুৰ্দ্ধৰ্ষ অপৰাধীকেইজনক কংগ্ৰেছৰ কৰ্মী বুলি উল্লেখ কৰিছে। এই কেইজনৰ বিৰুদ্ধে নগাঁও জিলাৰ বিভিন্ন আৰক্ষী থানাত গোচৰ ৰুজু হৈ আছে বুলি উল্লেখ কৰি আৰফান আলী বহুকেইটা গোচৰৰ লগতে গৰু চুৰিৰ লগত জড়িত বুলি পত্ৰখনত উল্লেখ কৰিছে। ইফালে, বাকী দুজনো বিভিন্ন অপৰাধৰ লগত জড়িত হৈ আছে আৰু তেওঁলোকৰ বিৰুদ্ধে সৰ্বাধিক খাটোৱাল থানাত গোচৰ ৰুজু হৈ আছে। পূৰ্বতে যিদৰে ৰকিবুল হুছেইনে বীভৎস্য, আতংকময় পৰিৱেশ সৃষ্টি কৰি ভয়-ভাবুকিৰে নিৰ্বাচন পাৰ কৰিছিল, এতিয়া তেনেধৰণৰ এক পৰিৱেশৰ মাজেৰে ভোটাৰক ভয় খুৱাবলৈ এনেদৰে অপৰাধীক মোকোলাই আনি আতংকৰ সৃষ্টি কৰিবলৈ বিচাৰিছে। বিশেষকৈ আৰফান আলীৰ নামত খাটোৱাল আৰু চামগুৰি আৰক্ষী থানাত ছয়টাকৈ গোচৰ ৰুজু হৈ আছে। এনেক্ষেত্ৰত প্ৰদেশ কংগ্ৰেছৰ তিনিগৰাকী বিষয়ববীয়াই আৰফান আলীক আৰক্ষীয়ে পক্ষপাতমূলকভাৱে আবদ্ধ কৰিছে বুলি উল্লেখ কৰি মুখ্য নিৰ্বাচনী আয়োগলৈ পত্ৰ প্ৰেৰণ কৰাটোৰে এতিয়া চামগুৰিত নিৰ্বাচনত জয়লাভ কৰিবলৈ যে অপৰাধীৰ প্ৰয়োজন সেইটো নিশ্চিত কৰিলে বুলি উল্লেখ কৰে। আজিৰ সংবাদমেলত বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই অংশগ্ৰহণ কৰি নিৰ্বাচনকেন্দ্ৰিক মন্তব্য আগবঢ়ায়। সংবাদমেলত বিজেপি দলৰ কে'বাজনো নেতা-কৰ্মী উপস্থিত থাকে।

# ডুমডুমাত অংগনবাড়ী কৰ্মীৰ আত্মহনন, চাঞ্চল্য

**ই-সংবাদ, ডুমডুমা, ৩০ অক্টোবৰঃ** ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত এম কে শ্বাহ এক্সপ'ৰ্ট লিমিটেডৰ অধীনস্থ দৈমুখীয়া চাহ বাগিচাৰ বজাৰ লাইনস্থিত আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী তথা ৰূপবন দৈমুখীয়া গাঁৱৰ এগৰাকী মহিলাই স্বামী গৃহত চিপ লৈ আত্মহত্যা কৰা ঘটনাই ডুমডুমাত চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, গাঁওখনৰ প্ৰয়াত হেমন্ত কাকতিৰ পত্নী ৰেখা কাকতি(৪৭)য়ে কালি বিয়লি প্ৰায় ৪:৩০ বজাত ঘৰৰ শোৱনি কোঠাৰ চিলিং ফেনত চিপ লৈ আত্মহত্যা কৰে। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে অতি অমায়িক স্বভাৱৰ মহিলাগৰাকীয়ে ঘটনা সংঘটিত কৰাৰ পূৰ্বে ঘৰৰ মুখ্য দুৱাৰখন বাহিৰৰ পৰা তলা মাৰি পাছফালৰ দুৱাৰেদি ঘৰৰ ভিতৰত প্ৰৱেশ কৰি কোঠাটোৰ খিৰিকী খোলা ৰাখি কোঠাটোৰ চিলিং ফেনত চিপ লয়। উক্ত ঘটনাই সকলোকে হতচকিত হৈ তুলিছে। অংগনবাড়ী কৰ্মীগৰাকীয়ে কি কাৰণত আত্মহত্যাৰ দৰে পথ বাচি ল'লে সেয়া জানিব পৰা হোৱা নাই যদিও আৰক্ষীৰ অনুসন্ধানৰ পিছতহে প্ৰকৃত কাৰণ ওলাই পৰাৰ সম্ভাৱনা আছে। ঘটনাস্থলীত ডুমডুমা আৰক্ষীৰ লোক উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰাৰ লগতে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰে। মৃতদেহটো আৰক্ষীয়ে নিশাটো থানাতে ৰাখি আজি পুৱা মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়ালৈ প্ৰেৰণ কৰে। অংগনবাড়ী কৰ্মীগৰাকীয়ে এজন পুত্ৰ আৰু এগৰাকী কন্যাক ইহ-সংসাৰত এৰি থৈ গৈছে।

# মৰিগাঁৱত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ ডিমাণ্ড ড্ৰাফ্‌ট বিতৰণ

**ই-সংবাদ, লাহৰীঘাট, ৩০ অক্টোবৰঃ** আজি মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনি (CMAAA)ৰ অধীনত হিতাধিকাৰীসকলৰ মাজত ডিমাণ্ড ড্ৰাফ্ট বিতৰণ কৰা হয়। যোৱা ৩০ ছেপ্টেম্বৰত খানাপাৰাত অনুষ্ঠিত হোৱা ডিমাণ্ড ড্ৰাফ্ট বিতৰণী সভাত উপস্থিত থকাৰ লগতে মৰিগাঁও জিলাৰ হিতাধিকাৰীসকলক জাগীৰোডত ডিমাণ্ড ড্ৰাফ্ট বিতৰণ কৰা হৈছিল। উক্ত অনুষ্ঠানত ডিমাণ্ড ড্ৰাফ্ট গ্ৰহণ কৰিব নোৱাৰা হিতাধিকাৰীসকলৰ মাজত আজি ৭৫,০০০ টকাকৈ ডিমাণ্ড ড্ৰাফ্ট বিতৰণ কৰি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই সকলো হিতাধিকাৰীকে শুভেচ্ছা জনায়। উল্লেখ্য যে অসমৰ সকলো শ্ৰেণীৰ শিক্ষিত যুৱক-যুৱতীক এই আঁচনিত সামৰি লোৱাৰ লগতে উদ্যোগ স্থাপনৰ জৰিয়তে গ্ৰাম্য আৰু চহৰ অঞ্চলত নিয়োগৰ সুযোগ সৃষ্টি তথা অসমত উদ্যোগমুখী পৰিৱেশ সৃষ্টি কৰাৰ লক্ষ্যৰে অসমৰ মুখ্যমন্ত্ৰীয়ে "মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনি" (CMAAA) নামেৰে আঁচনি আৰম্ভ কৰে। অনাবৃত্তিমূলক শাখা আৰু বৃত্তিমূলক শাখাৰ নিৰ্বাচিত উদ্যোগীলৈ ক্ৰমে ২,০০,০০০ আৰু ৫,০০,০০০ টকাৰ আৰ্থিক সহায়তা প্ৰদান কৰাৰ ব্যৱস্থা আছে। প্ৰথম পৰ্যায়ত মৰিগাঁও জিলাত ৬৫৭ গৰাকী হিতাধিকাৰীয়ে এই আঁচনিৰ সুবিধা লাভ কৰিবলৈ সক্ষম হয়।




## পৰিৱেশ নিকা, প্ৰদূষণ মুক্ত কৰাৰ আহ্বান

# নেহৰু যুৱকেন্দ্ৰৰ উদ্যোগত শিৱসাগৰৰ ৰাজপথত ছাত্ৰ-ছাত্ৰী

**ই-সংবাদ, শিৱসাগৰ, ৩০ অক্টোবৰঃ** দীপাৱলীৰ আনন্দ-উছাহৰ মাজতে আজি শিৱসাগৰৰ ৰাজপথলৈ ওলাই আহিল এদল ছাত্ৰ-ছাত্ৰী। নেহৰু যুৱকেন্দ্ৰ, শিৱসাগৰৰ উদ্যোগত পথ সুৰক্ষাৰ সজাগতা, পৰিৱেশ স্বচ্ছ কৰি ৰখাৰ বাবে মানুহৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্যৰে স্বেচ্ছাসেৱক, ছাত্ৰ-ছাত্ৰী সকল ওলাই আহে চহৰৰ ৰাজপথলৈ। দেশজুৰি ৰূপায়ণ কৰি থকা "মোৰ ভাৰতৰ সৈতে দীপাৱলী (DIWALI WITH MY BHARAT)" শীৰ্ষক কাৰ্যসূচীৰ অংশস্বৰূপেই নেহৰু যুৱ কেন্দ্ৰৰ বিষয়ববীয়া তথা স্বেচ্ছাসেৱক আৰু ছাত্ৰ-ছাত্ৰীসকলে ৰাজপথলৈ ওলাই সকলোকে পৰিৱেশ নিকা তথা প্ৰদূষণ মুক্ত কৰি ৰাখিবলৈ আহ্বান জনায়। হাতে হাতে বেনাৰ, গোহাৰি পত্ৰলৈ মুক্তিনাথ চাৰিআলিত অৱস্থান কৰে নেহৰু যুৱকেন্দ্ৰৰ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰীসকলে। ইয়াৰ উপৰি পথেৰে অহা-যোৱা কৰা পদযাত্ৰী, যান-বাহন চালকসকলৰ মাজত গোহাৰি পত্ৰ, সজাগতামূলক লিফ্লেট বিতৰণ কৰে। দুচকীয়া যান-বাহন চালকে যাতে হেলমেট পৰিধান কৰিহে বাইক চলায়, গাড়ী চালাওঁতে যাতে ছিটবেল্ট লগাই লয়, যান-বাহন আইন মানি চলে তাৰ প্ৰতি আহ্বান জনাই বিতৰণ কৰে গোহাৰি পত্ৰ। ইয়াৰ উপৰি দীপাৱলীত শব্দ, বায়ু প্ৰদূষণ সৃষ্টি কৰিব পৰা উচ্চ প্ৰাবল্যৰ আতচবাজী যাতে নুফুটায় সেই বিষয়েও ৰাইজক আহ্বান জনোৱা পৰিলক্ষিত হয়। উক্ত কাৰ্যসূচী সন্দৰ্ভত নেহৰু যুৱ কেন্দ্ৰৰ জিলা যুৱ বিষয়া পাপাই দাসে কয় যে বছৰজুৰি এনে কাৰ্যসূচী ৰূপায়ণ কৰি থকা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৩ চনৰ ২৯ অক্টোবৰত মাই ভাৰত পৰ্টেলৰ শুভাৰম্ভ কৰিছিল। ইয়াৰ দ্বাৰা জনতাক স্বচ্ছতাৰ বাবে সজাগ কৰাৰ প্ৰয়াস কৰা হৈছে। পৰিৱেশ প্ৰদূষণৰ বিৰুদ্ধে সজাগ কৰাৰ চেষ্টা চলাই থকা হৈছে। তেঁও লগতে জিলাখনৰ যুৱ প্ৰজন্মক মাই ভাৰত পৰ্টেলৰ সৈতে সংযুক্ত হোৱাৰো আহ্বান জনায়। যোৱা ২৭ অক্টোবৰৰ পৰা শিৱসাগৰত এই কাৰ্যসূচী ৰূপায়ণ কৰা বুলি সদৰি কৰে পাপাই দাসে।

# তৰাণী সংৰক্ষিত বনাঞ্চলত আটক ৬ গভাইত চোৰ

**ই-সংবাদ, ডুমডুমা, ৩০ অক্টোবৰঃ** তিনিচুকীয়া জিলাৰ পেঙেৰী আৰক্ষী থানাৰ অন্তৰ্গত ফিল'বাৰী তৰাণী সংৰক্ষিত বনাঞ্চলত আজি পুৱতি নিশা তিনিটা গৰুসহ ৬ টাকৈ গভাইত গৰু চোৰক স্থানীয় ৰাইজে হাতে-লোটে ধৰা পেলাই উত্তম-মধ্যম শোধাই পেঙেৰী আৰক্ষীক গতাই দিয়ে। আটক কৰা চোৰ কেইটা হৈছে- বৰডুমচা আৰক্ষী থানাৰ অন্তৰ্গত ৰিতু কঁঠালগুৰি গাঁৱৰ বাপুকণ বৰুৱা(২৯), দেৱাশিষ চাওবক(৩২), সুৰজ গগৈ(২৬), পেঙেৰীৰ টেকেৰী ৰাথৈ গাঁৱৰ বিতুপন মৰাণ(২৪), পেঙেৰীৰ ১ নং তৰাণী গাঁৱৰ উৎকিন্দ্ৰ মৰাণ(২৪) আৰু ২ নং তৰাণী গাঁৱৰ ৰাজ কুমাৰ দহোটিয়া(২০)। উল্লেখ্য যে ফিল'বাৰী, ৰতনী, বোকাপথাৰ, তৰাণী, কঁঠালগুৰি, পেঙেৰী অঞ্চলত পৰা প্ৰতিদিনে একাংশ গৰু চুৰি সংঘটিত হৈ আহিছে বিগত কিছু দিনৰ পৰা। বিশেষ সূত্ৰৰ পম খেদি ৰাইজে গাঁতে লাগি থকা তৰাণী সংৰক্ষিত বনাঞ্চলত অভিযান চলাই পুৱতি নিশা পেঙেৰীৰ কঁঠালগুৰি দিশৰ পৰা অহা এখন চাৰিচকীয়া বাহনত চোৰকেইটাই বনাঞ্চলখনত লুকুৱাই ৰখা তিনিটাকৈ গৰু গাড়ীত উঠাবলৈ লোৱাৰ সময়তে চোৰকেইটাক আটক কৰিবলৈ সক্ষম হ'য়। চোৰ কেইটাক ৰাইজে উত্তম-মধ্যম শোধাই পেঙেৰী আৰক্ষীক চমজাই দিয়ে। আৰক্ষীয়ে ঘটনাত ব্যৱহৃত গাড়ীখনো জব্দ কৰে। আৰক্ষীয়ে চোৰকেইটাক থানাত জেৰা চলাই থকা বুলি জানিব পৰা গৈছে। চোৰকেইটাক আৰক্ষীয়ে কাইলৈ পুৱাই জে'ললৈ প্ৰেৰণ কৰিব বুলি সাংবাদিকক জানিবলৈ দিয়ে। চোৰকেইটাই যাতে কোনো কাৰণতে আইনৰ সুৰুঙাই দি সাৰি যাব নোৱাৰে, তাৰ বাবে ৰাইজে আৰক্ষীক বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।

### বিদ্যুৎ বিভাগৰ আজব কাণ্ড! উদং ৰাজ্যৰ বিভিন্ন কাৰ্যালয়

# প্ৰাক দীপাৱালীৰ কাৰ্যসূচীৰ বাবে বিষয়া-কৰ্মচাৰীক গুৱাহাটীলৈ তলব

**ই-সংবাদ, তিতাবৰ, ৩০ অক্টোবৰঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ কাৰ্যালয় উদং কৰি APDCLৰ বিষয়া-কৰ্মচাৰীক গুৱাহাটীৰ বিভাগৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ বাবে মতাই নিয়া কাৰ্যক সমালোচনা কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। উল্লেখ্য যে বিদ্যুৎ বিভাগে আজি গুৱাহাটীত প্ৰাক দীপাৱালীৰ এক কাৰ্যসূচী অনুষ্ঠিত কৰিছে। আজি তিতাবৰত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ নেতা বিদ্যুৎ শইকীয়াৰ নেতৃত্বত বহুসংখ্যক সদস্য বিভাগৰ কাৰ্যালয়ত উপস্থিত হৈ এনে ঘটনা প্ৰত্যক্ষ কৰি ক্ষোভ প্ৰকাশ কৰাই নহয় ৰাজ্য চৰকাৰক তীব্ৰ সমালোচনা কৰে। গুৱাহাটীৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ বাবে বিভাগে জাৰি কৰা নিৰ্দেশনাৰ বাবে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ বিভাগীয় কাৰ্যালয়সমূহ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ হাতত গতাই দিয়া বুলি সংগঠনটোৱে অভিযোগ কৰিছে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়াই চৰকাৰৰ এনে চৰিত্ৰক সমালোচনা কৰি ৰাইজৰ ধনেৰে দৰমহা লোৱা বিষয়াই উৎসৱ উদযাপনৰ বাবে কাৰ্যালয় এৰি গুৱাহাটীলৈ যোৱাটো দুৰ্ভাগ্যজনক বুলি আখ্যা দিয়ে। স্মাৰ্ট মিটাৰৰ নামত ৰাইজক টেঁটুচেপা দিয়া বিদ্যুৎ বিভাগে আজিৰ দিনটোত ৰাইজৰ সমস্যা সমাধানৰ বাবে কোনো ধৰণৰ চিন্তা নকৰি কেৱল মাত্ৰ উৎসৱ উদযাপন ৰবাবে গুৱাহাটীলৈ বিষয়া-কৰ্মচাৰীক মতাই নিয়া কাৰ্যৰে ৰাজ্যৰ বিদ্যুতৰ উপভোক্তাসকলক পুনৰবাৰ উপলুঙা কৰাই নহয়, ৰাইজৰ সমস্যাৰ প্ৰতি বিভাগৰ যে কোনো দায়বদ্ধতা নাই সেয়া পুনৰবাৰ প্ৰমাণ কৰা বুলি শইকীয়াই মন্তব্য কৰে। ৰাইজৰ দুখ দুৰ্দশা সন্দৰ্ভত চিন্তা কৰিবলৈ সময় নোপোৱা বিভাগৰ স্মাৰ্ট মিটাৰ কোনো কাৰণতে চলিবলৈ দিয়া নহ'ব বুলিও হুংকাৰ দিয়ে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে।

### কলগাছিয়াত বিধায়ক অখিল গগৈ

# নামনি অসমৰ পৰা এআইইউডিএফক ৰাইজে বিদায় দিছে

**ই-সংবাদ, কলগাছিয়া, ৩০ অক্টোবৰঃ** কলগাছিয়াৰ লাংলাত বিধায়ক অখিল গগৈ। বৰপেটাৰ পৰা ধুবুৰীৰ হাট-শিঙিমাৰীলৈ যাত্ৰাকালত কলগাছিয়াত শিক্ষাৰ্থীৰ সৈতে বিধায়কগৰাকীয়ে মত-বিনিময় কৰে। উল্লেখ্য যে, ছদিনীয়া কাৰ্যসূচীৰে নামনি অসমৰ বানপানী, গৰাখহনীয়া, ভূমিৰ লগতে বিভিন্ন সমস্যাৰ বুজ লোৱাৰ উদ্দেশ্যে আৰু সেইসমূহ অসম বিধানসভাত উত্থাপন কৰি সমস্যাসমূহ সমাধান কৰাৰ লক্ষৰে বিধায়কগৰাকীয়ে এই কাৰ্যসূচী হাতত লৈছে। যাত্ৰাকালত আজি কলগাছিয়াৰ লাংলাত উপস্থিত হোৱাৰ সময়ত বিধায়কগৰাকীয়ে বৰপেটা বঙাইগাঁও মহাবিদ্যালয়ৰ সন্মুখত থকা ৰাজ্যিক ঘাইপথৰ দাঁতিত ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ সৈতে মত-বিনিময় কৰে। মত বিনিময় কৰি অখিল গগৈয়ে কয় যে নামনি অসমৰ পৰা সংখ্যালঘু ৰাইজে এআইইউডিএফক বিদায় দিছে। বিৰোধী ঐক্যই একেলগে থাকি ২৬'ত চৰকাৰ গঠনৰ লক্ষ্য আগত ৰাখিছিল যদিও ইতিমধ্যে কংগ্ৰেছ দলে বিৰোধী ঐক্যক বিশ্বাসঘাতকতা কৰিছে। ২০২৬ চনৰ নিৰ্বাচনত ৰাইজৰ দলৰ পৰা ১২৬ টা সমষ্টিত প্ৰাৰ্থী দিয়া হ'ব আৰু ২০২৬ত ৰাইজৰ দলৰ বাদে কোনেও চৰকাৰ গঠন কৰিব নোৱাৰে বুলি বিধায়কগৰাকীয়ে মন্তব্য কৰে। এইক্ষেত্ৰত উজনিৰ পৰা নামনিলৈকে যিবিলাক আটাইতকৈ সম্ভৱনাপূৰ্ণ সমষ্টি, সেই সমষ্টিবিলাকক দলে গ্ৰেট এ ৰূপে নামাংকিত কৰিব বুলি বিধায়কগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে সমষ্টি বিলাকত তীব্ৰ গতিত কাম-কাজ চলাই থকা হৈছে আৰু গ্ৰুপ বি সমষ্টিসমূহ এ লৈ ৰূপান্তৰিত কৰাৰ চেষ্টা চলোৱা বুলি অখিল গগৈয়ে মন্তব্য কৰে। বিধায়কগৰাকীয়ে কয় যে, আজি অভিশপ্ত ৩০ অক্টোবৰ, এই দিনটোত মৃত্যু হোৱা পৰিয়ালক চৰকাৰে যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতিসমূহ এটাও পালন কৰা নাই। কিন্তু এই দিনটো প্ৰতি বছৰেই আহে আৰু প্ৰতিবাৰেই চৰকাৰে মৃতসকলক শ্ৰদ্ধা জ্ঞাপন কৰে বা শ্ৰদ্ধাঞ্জলি জনায়। ৩০ অক্টোবৰৰ অন্ধকাৰ দিনটো অসমৰ ইতিহাসৰ আটাইতকৈ ঘৃণনীয় দিন বুলি উল্লেখ কৰি সেই দিনটোত যি ঘটনা সংঘটিত হৈছিল আৰু যিসকলে মৃত্যুবৰণ কৰিছিল তেওঁলোকৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ আৰু সংস্থাপন দিয়াৰ চৰকাৰে যি প্ৰতিশ্ৰুতি দিছিল, সেই প্ৰতিশ্ৰুতি সমূহ পালন কৰিবলৈ ৰাইজৰ দলৰ সভাপতিগৰাকীয়ে চৰকাৰক দাবী জনায়। আনহাতে, এই স্পৰ্শকাতৰ বিষয়টো গুৰুত্ব সহকাৰে লৈ বিধায়ক দেউৰীয়ে এইক্ষেত্ৰত জৰুৰীভাৱে ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰী লৈ লিখিত অনুৰোধ প্ৰেৰণ কৰিছে।

# মৰিগাঁৱৰ কলেজ অফ এডুকেচনত শৈক্ষিক বক্তৃতা সম্পন্ন

**ই-সংবাদ, লাহৰীঘাট, ২৯ অক্টোবৰঃ** মৰিগাঁৱৰ কলেজ অফ এডুকেচনৰ ইন্টাৰনেল কোৱালিটী এছুৰেঞ্চ চেলৰ উদ্যোগত আৰু শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনৰ সহযোগত ২৮ অক্টোবৰত এটি শৈক্ষিক বক্তৃতা সম্পন্ন হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষা ড০ ডলী বুঢ়াগোহাঁইৰ সঞ্চালনাত অনুষ্ঠিত উক্ত অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যই "টিছাৰ এডুকেচন এণ্ড ইটছ ইমপেক্ট অন ক্লাছ ৰূম ট্ৰেনজেকচন" শীৰ্ষক এটি মনোজ্ঞ বক্তৃতা প্ৰদান কৰে। প্ৰায় দুঘণ্টা ধৰি দিয়া উক্ত বক্তৃতাটোত বৈশ্যই শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত প্ৰশিক্ষিত শিক্ষাৰ্থীয়ে শিক্ষকতা বৃত্তিত যোগদানৰ পাছত শ্ৰেণীকোঠাত পাঠদানৰ ক্ষেত্ৰত বাস্তৱত দেখা সমস্যা আৰু সম্ভাৱনাৰ বিভিন্ন দিশ আলোকপাত কৰে। তেওঁ কয় যে শিক্ষক প্ৰশিক্ষণত লাভ কৰা শিকন কৌশলসমূহ বহু ক্ষেত্ৰত শ্ৰেণীকোঠাত ৰূপায়ণ নহয়। ইয়াৰ কাৰণ আৰু তাক সমাধান বিভিন্ন দিশ বৈশ্যই সুন্দৰকৈ আলোকপাত কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাষণ দি মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই এগৰাকী ভাল শিক্ষক হ'বলৈ হ'লে আয়ত্ত কৰিব লগা দক্ষতা সমূহৰ বিষয়ে কয়। তেওঁ এনে ধৰণৰ বক্তৃতাৰ আয়োজন কৰা বাবে মৰিগাঁৱৰ কলেজ অফ এডুকেচনৰ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়খনৰ ইন্টাৰনেল কোৱালিটী এছুৰেঞ্চ চেলৰ সমন্বয়ক মহম্মদ ইমানুজামান শ্বাহে অনুষ্ঠানৰ উদ্দেশ্যে বাখ্যা কৰে। অধ্যক্ষা ড.০ ডলী বুঢ়াগোহাঁয়ে বক্তৃতাৰ বিষয়বস্তুৰ ওপৰত আলোকপাত কৰে। তেওঁ পৰেশ বৈশ্য ফাউণ্ডেচনৰ এনে শৈক্ষিক সহায়তাৰ শলাগ লয়। সামৰণিত শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়খনৰ অধ্যাপিকা লোপামুদ্ৰা দাসে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ ডেৰ শতাধিক শিক্ষাৰ্থী আৰু অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকে।




মৰিগাঁৱত আত্মনিৰ্ভৰ অসমৰ ডিমাণ্ড ড্ৰাফট বিতৰণ

## নীতিন গাডকাৰি আৰু অসম চৰকাৰৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ

# বৰপেটাৰোডত অসমৰ ৰাজ্যপাল লক্ষণ প্ৰসাদ আচাৰ্য

**ই-সংবাদ, বৰপেটা, ৩০ অক্টোবৰঃ** বৰপেটাৰোড চহৰৰ সৌন্দৰ্যবৰ্ধনৰ বাবে বৰপেটাৰোড পৌৰসভাই নিৰ্মাণ কৰা বিষ্ণু-জ্যোতি সৰোবৰ, সৰোবৰৰ ওপৰত নিৰ্মাণ কৰা অত্যাধুনিক ওলমা সেতু আৰু অম্বিকাগিৰী চ'কত নিৰ্মাণ কৰা ক্লক টাৱাৰ কালি উদ্বোধন কৰে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই। ৰাজ্যপালগৰাকীৰ সৈতে উক্ত অনুষ্ঠানত খাদ্য সুৰক্ষা আৰু আইন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ, ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰ আৰু পৌৰপতি ৰাজেশ সৰকাৰেও অংশগ্ৰহণ কৰে। ক্ল'ক টাৱাৰটো মুকলিৰ পিছতে বিষ্ণু-জ্যোতি সৰোবৰ আৰু ওলামা সেতু আনুষ্ঠানিকভাৱে মুকলি কৰে লক্ষ্মণপ্ৰসাদ আচাৰ্যই। উল্লেখ্য যে, বৰপেটাৰোড পৌৰসভাই ৬৪ লাখ ৭৫ হেজাৰ টকা ব্যয়সাপেক্ষে চহৰখনৰ বিষ্ণু-জ্যোতি সৰোবৰত ওলমা সেতু নিৰ্মাণ কৰাৰ লগতে ৩৯ লাখ ৪২ হেজাৰ টকা ব্যয়েৰে ক্লক টাৱাৰটো নিৰ্মাণ কৰে। একেদৰে ১.৫ কোটি টকা ব্যয় সাপেক্ষে বিষ্ণু-জ্যোতি সৰোবৰৰ চৌদিশে পকী দেৱাল নিৰ্মাণ কৰাৰ লগতে সেই দেৱালত আটকধুনীয়া ছবি অংকন কৰা হৈছে। পৌৰসভাই নিৰ্মাণ কৰা তিনিওখন আঁচনিৰ শুভ উদ্বোধনৰ পিছতে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য এখন মুকলি সভাতো অংশ



লয়। অনুষ্ঠানৰ শেষত সন্ধিয়া ৰাজ্যপালগৰাকীয়ে সাংবাদিকৰ সৈতেও মত বিনিময় কৰে।

# নিমাতী-মাজুলী আৰু কমলাবাৰী ফেৰী সেৱা আৰম্ভ

**ই-সংবাদ, বাহনা, ৩০ অক্টোবৰঃ** আজি পুৱাৰে পৰা মাজুলীৰ দৰবাৰ চাপৰিলৈ ফেৰী চলাচল আৰম্ভ হৈছে। ব্ৰহ্মপুত্ৰ নদীৰ জলস্তৰ অস্বাভাৱিকভাৱে হ্ৰাস পোৱাৰ ফলত ফেৰীৰ চলাচল কৰিবলৈ অসমৰ্থ হৈ পৰিছিল আভ্যন্তৰীণ জল পৰিবহণ বিভাগ। জিলা প্ৰশাসনেৰে আলোচনা মৰ্মে কালিলৈকে নিমাতী-কমলাবাৰী ফেৰী সেৱা মুঠ ৯ টা দিন বন্ধ কৰিব লগা হৈছিল। উল্লেখ্য যে মাজুলীত আগন্তুক সময়ত শ্ৰী শ্ৰী কৃষ্ণৰ ৰাসলীলা, পালনামৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ অগণন ভক্তকে মুখ্য কৰি বিভিন্ন লোকৰ উপৰি বিদেশী পৰ্যটকসকল মাজুলীলৈ আহে। এই সমস্যা সমাধান কৰাৰ চেষ্টাৰে ৰাজ্য চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্তই ২৩ অক্টোবৰৰ দিনা উচ্চপদস্থ বিষয়া বৰ্গৰ সৈতে যোৰহাট-মাজুলীৰ জলপথৰ সমস্যা সমাধানৰ বাবে নিজে ফেৰীৰে পৰিস্থিতি পৰ্যবেক্ষণ কৰে। ইয়াৰ বাবে ড্ৰেজাৰৰ সহায়ত ফেৰী চলাচল কৰাজলপথ খন্দাৰ ব্যৱস্থা কৰে। সেই মৰ্মেই ডিব্ৰুগড়ৰ পৰা ড্ৰেজাৰ আনি ২৬ অক্টোবৰত নিমাতীৰ পৰা জলপথ খন্দাৰ কাম আৰম্ভ হয়। আজি নিমাতীৰ পৰা মাজুলীলৈ পুৱা ৮.৩০ বজাত আৰু বিয়লি ৩.৩০ বজাত, মাজুলী দৰবাৰ চাপৰিৰ পৰা পুৱা ৭.০০বজাত আৰু বিয়লি ৩.০০বজাত ছিংগল ইঞ্জিন ফেৰী চলাচল কৰিছে। ছিংগল ইঞ্জিন ফেৰীত এবাৰত ১৫ খন মটৰচাইকেল, ৫০জন যাত্ৰী আৰু এখন চাৰি চকীয়া বাহন নিয়াৰহে বিভাগে অনুমতি প্ৰদান কৰিছে। এই পৰিস্থিতি পৰ্যবেক্ষণ কৰিহে অতিৰিক্ত যাত্ৰী, বাহনসহ জাহাজ চলাচল কৰাৰ ব্যৱস্থা কৰা হ'ব বুলি উল্লেখ কৰিছে বিভাগে।

# বৰপথাৰত পথ দুৰ্ঘটনা, নিহত এজন

**ই-সংবাদ, সৰুপথাৰ, ৩০ অক্টোবৰঃ** সৰুপথাৰ সমজিলাৰ বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত গড়গাঁৱত আজি বিয়লি প্ৰায় ৩.৩০ বজাত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত থিতাতে নিহত হয় এজন যুৱক। ঘটনাৰ প্ৰত্যক্ষদৰ্শীৰ মতে, মটৰচাইকেলত তীব্ৰ বেগেৰে আহি পথৰ কাষৰ থকা গছৰ এটা মুড়াত খুন্দা মৰাৰ ফলতেই দুৰ্ঘটনাতো সংঘটিত হয়। দুৰ্ঘটনাত মৃত্যু হোৱা যুৱকজন নাওজান আৰক্ষী চকীৰ অন্তৰ্গত জোনালী পথাৰ নিবাসী ৰমেন গগৈৰ পুত্ৰ নয়ন গগৈ(১৮) বুলি জানিব পৰা গৈছে। আনহাতে, মৃত যুৱকজনৰ লগত মটৰ চাইকেলত অহা দুজন যুৱক পলায়ন কৰাৰ লগতে মৃত যুৱকজনৰ পকেটৰ পৰা ম'বাইলটোও লৈ যায়। লগত অন্য এখন মটৰ চাইকেলত গড় গাঁৱৰ এজন যুৱকো আছিল। তেওঁক আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। ঘটনাস্থলীত বৰপথাৰ আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহ গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইপিনে, স্থানীয় লোকে যুৱক কেইজনে মদ্যপান কৰি তীব্ৰ বেগত মটৰ চাইকেল চলাই আহিছিল বুলি জানিবলৈ দিছে।

## কংগ্ৰেছৰ প্ৰাৰ্থী বিপুল ভোটত জয়ী হোৱাৰ দাবী গৌৰৱ গগৈৰ

# বিহালীত তীব্ৰতৰ হৈ পৰিছে কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, বিশ্বনাথ, ৩০ অক্টোবৰঃ** বিহালী সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী জয়ন্ত বৰাৰ হৈ বিৰোধী দল তথা কংগ্ৰেছ দলৰ প্ৰাক্তন মন্ত্ৰী, বিধায়কসকল জঁপিয়াই পৰিছে নিৰ্বাচনী প্ৰচাৰ সভাত। আজিও কংগ্ৰেছ দলৰ প্ৰাৰ্থীগৰাকীৰ হৈ সাংসদ গৌৰৱ গগৈ, প্ৰাক্তন বিধায়ক বৰ্নবাস তাতীঁ, লক্ষীমপুৰৰ কংগ্ৰেছ নেতা জয় প্ৰকাশ দাসসহ কংগ্ৰেছ দলৰ হাইপ্ৰফাইল নেতাই সমষ্টিটোৰ জৰাবাৰীৰ হনুমান মন্দিৰত সেৱা লৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ইয়াৰ পৰা কেইবাটাও অঞ্চলৰ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি শাসকীয় দলটিক তীক্ষ্ণ সমালোচনা কৰে সাংসদ গৌৰৱ গগৈয়ে। ৰাইজৰ লগত কংগ্ৰেছৰ মধুৰ সম্পৰ্ক দেখি বিজেপি শংকিত হৈছে বুলি উল্লেখ কৰে সাংসদগৰাকীয়ে। বিজেপিয়ে হ'ব হ'ব কৰিয়ে থাকিল। এই হ'ব হ'ব ৰাজনীতি শেষ হ'ব বিজেপিৰ। কংগ্ৰেছে বিপুল ভোটত বিহালীৰ পৰা জয়ী হ'ব বুলি গৌৰৱ গগৈয়ে মন্তব্য কৰে।

# ডিব্ৰুগড়ত বিজ্ঞান সমিতিৰ অসম ভিত্তিক প্ৰাইজমানি তৰ্ক প্ৰতিযোগিতা

**ই-সংবাদ, ডিব্ৰুগড়, ৩০ অক্টোবৰঃ** ডিব্ৰুগড়ত অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাৰ উদ্যোগত ২৮ নৱেম্বৰত নিলোফাৰ ৰহমান শইকীয়া প্ৰাইজমানি তৰ্ক প্ৰতিযোগিতাখনি ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হ'বলগীয়া তৰ্ক প্ৰতিযোগিতাৰ বিষয়- বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নয়নতহে কেৱল এখন ৰাষ্ট্ৰৰ বৈষয়িক উন্নতি নিৰ্ভৰ কৰে(Prosperity of a nation depends only in the Development of Science and Technology)। অসমীয়া আৰু ইংৰাজী ভাষাৰ যি কোনো এটাতহে প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগীসকলে নিজৰ শিক্ষানুষ্ঠানৰ পৰা প্ৰমাণ পত্ৰসহ দুকপিকৈ ফটো আনিব লাগিব। বিতংভাৱে জানিবলৈ ৯৪৩৫১-৩০২৩৭ আৰু ৭৮৯৬০-৯৭৭৪১ ফোন নম্বৰত যোগাযোগ কৰিবলৈ সমিতিৰ সভাপতি আৰু সম্পাদকে আহ্বান জনাইছে। এখন শিক্ষানুষ্ঠানৰ পৰা সৰ্বাধিক ২ গৰাকী প্ৰতিযোগীয়েহে অংশগ্ৰহণ কৰিব পাৰিব। পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাৰ বাবে প্ৰতিযোগীয়ে যোগদান কৰা সম্পৰ্কে ২৩ নৱেম্বৰৰ ভিতৰত জনাব লাগিব।

# কেঁচাখাইতী গোঁসানী শালত কাতি মাহৰ গাঁও পূজা

**ই-সংবাদ, ডুমডুমা, ৩০ অক্টোবৰঃ** তিনিচুকীয়া জিলাৰ ছেখোৰাঘাট(ধলা)স্থিত ঐতিহাসিক শ্ৰীশ্ৰী কেচাঁখাইতী শালৰ কাতি মাহৰ গাঁও পূজাভাগ আজি উলহ-মালহ তথা পৰম্পৰাগত ৰীতি-নীতিৰে অনুষ্ঠিত হৈ যায়। প্ৰতিকূল বতৰকো নেওচি অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তসকলে পুৱাতে ছেখোৰাত উপস্থিত হৈ হাতে-হাতে হাঁহ, পাৰ, ছাগলী আদি লৈ গোঁসানীক পূজা-অৰ্চনা আগবঢ়ায়। আজিৰ পূজা ভাগত ৫১৩ টা আমৰুলি-হাঁহ, ১০ টা পঠা-ছাগলী গোঁসানীলৈ উচৰ্গা কৰি বলি দিয়াৰ বিপৰীতে ১২ যোৰা পাৰ গোঁসানীৰ নামত উছৰ্গা কৰি শালৰ চৌহদত উৰুৱাই দিয়ে। উল্লেখ্য যে, ঐতিহাসিক শ্ৰীশ্ৰী কেচাঁখাইতী গোঁসানী শালত বছৰত মুঠ পাঁচ ভাগ পূজা অনুষ্ঠিত হয়। ব'হাগ, আহাৰ, কাতি আৰু মাঘ মাহত অনুষ্ঠিত হোৱা গাঁও পূজা চাৰিভাগ মাহটোৰ বুধবাৰৰ দিন বিশেষত অনুষ্ঠিত হোৱাৰ বিপৰীতে আঘোণ মাহৰ দ্বিতীয় সপ্তাহৰ দেওবাৰে অনুষ্ঠিত হোৱা "বাবু পূজা' ভাগ হৈছে শালৰ সৰ্ববৃহৎ পূজা, য'ত প্ৰতিবছৰে হাজাৰ হাজাৰ ভক্তৰ আগমন ঘটে। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে গোঁসানী শাললৈ যোৱাৰ পথত থকা বান্দৰখাল নলাৰ ওপৰৰ অতিকে জৰাজীৰ্ণ কাঠৰ দলংখনে আজি পূজালৈ অহা ভক্তসকলক বাৰুকৈয়ে জলাকলা কৰা পৰিলক্ষিত হয়। ব্যক্তিগত চাৰিচকীয়া বাহনলৈ অহা ভক্তসকলে দলঙৰ পাৰতেই বাহন এৰি বৰষুণত তিতি-বুৰি শাললৈ যাবলগা হোৱাৰ বিপৰীতে মটৰচাইকেল, স্কুটীলৈ অহা ভক্তসকলে দলঙৰ ওপৰেদি ঠেলি-ঠেলি বাহন পাৰ কৰিবলগা হয়। ৰাইজে আগন্তুক 'বাবু পূজা'ৰ আগতেই দলঙৰ ওপৰৰ যাতায়াত ব্যৱস্থা সুচল কৰি দিবলৈ বিভাগীয় কৰ্তৃপক্ষ তথা চৰকাৰক সংবাদ মাধ্যমৰ জৰিয়তে আহবান জনাইছে।



## এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত আমনি অঞ্চলত আৰক্ষীৰ অভিযান

# চামগুৰিত ড্ৰাগছসহ ২জনক আটক, দুখন বাইক জব্দ

**ই-সংবাদ, পুৰণিগুদাম, ৩০ অক্টোবৰঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আমনিত আজি চামগুৰি আৰক্ষীয়ে অভিযান চলাই দুৰ্ধৰ্ষ দুই ড্ৰাগছ পেডলাৰক আটক কৰাৰ লগতে দুখন বাইকসহ দহটা বাকচত হোৰ'ইনভৰ্তি পাঁচ লক্ষাধিক টকা মূল্যৰ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত আমনি অঞ্চলত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই ড্ৰাগছসহ দুজন লোকক আটক কৰাৰ লগতে দুখন বাইক জব্দ কৰে। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ঋতুপৰ্ণ বনিয়াৰ নেতৃত্বত আৰক্ষী বিষয়া প্ৰিয়াক্ষী নাথৰ সহযোগত এটা আৰক্ষী দলে আজি দিনৰ প্ৰায় ১১.৩০ মান বজাত আমনি অঞ্চলত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত আৰক্ষীৰ দলটোৱে আমনি অঞ্চলৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই আমিনুল ইছলাম(২৪) আৰু ৰফিকুল ইছলাম (২৫) নামৰ দুজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে ১০ টা ড্ৰাগছ ভৰ্তি চাবোনৰ বাকচ জব্দ কৰে। লগতে আৰক্ষীয়ে এএছ-০২ একে-২১০৪ আৰু এএছ-০২ এএল-৭৫২৭ নম্বৰৰ দুখন বাইকো জব্দ কৰে। আৰক্ষীয়ে আটক কৰা ড্ৰাগছ সৰবৰাহকাৰী দুজনৰ ঘৰ চামগুৰিৰ গেৰুৱামুখত বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়াৰ লগতে ড্ৰাগছখিনি ডিমাপুৰৰ পৰা আনিছিল বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে।

# তৃতীয় বড়ো শান্তি চুক্তিৰ সকলো দফা কাৰ্যকৰী কৰাৰ দাবীত সজাগতা সভা

**ই-সংবাদ, লাহৰীঘাট, ৩০অক্টোবৰঃ** সংযুক্ত বড়ো গণ মঞ্চ চমুকৈ ইউবিপিঅ'ৰ এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভা আজি মৰিগাঁও জিলাৰ মনহাৰ মিলনবৰী লক্ষ্মী মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হৈ যায়।ইউবিপিঅ'ৰ সভাপতি মনোৰঞ্জন বসুমতাৰীয়ে সভাপতিত্ব কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়াই ইউবিপিঅ'ৰ সাধাৰণ সম্পাদক পীতাম্বৰ ব্ৰহ্মাই কয় যে ইউবিপিঅ'ৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সভাই গ্ৰহণ কৰা প্ৰস্তাৱ অনুসৰি জিলাৰ বিভিন্ন সমস্যাৰ বুজ লোৱাৰ লক্ষ্য আগত ৰাখি প্ৰতিখন জিলাত একোখন ৰাজহুৱা সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয় আৰু ইয়াৰ অংশ হিচাপে আজি কামৰূপ মহানগৰ জিলাৰ বেলতলাত সভাখন আহ্বান কৰা হৈছে বুলি উল্লেখ কৰি প্ৰতিখন জিলাৰ বিভিন্ন সমস্যা সমাধানৰ বাবে পৰৱৰ্তী সময়ত পদক্ষেপ লোৱা হ'ব বুলি বক্তব্য আগবঢ়ায়। সভাত মৰিগাঁও জিলাৰ বড়ো ৰাইজৰ ৰাজনৈতিক, শিক্ষা, সাংস্কৃতিক, ভূমি আদি বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰা হয়। সভাত ইউবিপিঅ'ৰ সভাপতি মনোৰঞ্জন বসুমতাৰীয়ে কয় যে দীঘলীয়া আন্দোলনৰ ফলশ্ৰুতিত সম্পাদিত হোৱা তৃতীয় বড়ো শান্তি চুক্তিৰ দফাসমূহৰ কাৰ্যকৰীকৰণৰ বাবে সময়ে সময়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সৈতে আলোচনা কৰি থকাৰ কথা উল্লেখ কৰি বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ অগ্ৰগতিৰ বিষয়ে আলোকপাত কৰি চৰকাৰক চুক্তিৰ সকলো দফা কাৰ্যকৰী কৰিবলৈ দাবী জনাই ইউবিপিঅ'ৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু জিলা আৰু আঞ্চলিক সমিতিসমূহক সাংগঠনিক দিশ শক্তিশালী কৰিবলৈ ৰাইজৰ মাজত বিভিন্ন গঠনমূলক আৰু কল্যাণমুখী কৰ্মসূচী যুগুত কৰি ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। সভাত সমাজকৰ্মী মাধৱ বসুমতাৰীয়ে মৰিগাঁও জিলাত বসবাস কৰা বড়ো অধ্যুষিত অঞ্চলৰ বড়ো মাধ্যমৰ বিদ্যালয়ৰ সমস্যা, যাতায়াত, ভূমি আদি বিভিন্ন সমস্যাৰ বিষয়ে আলোকপাত কৰে। বিকেডব্লিউএচিৰ মুৰব্বী মিহিনিশ্বৰ বসুম কয় ইউবিপিঅ'ই জন্মলগ্নৰে পৰাই বিটিএডিৰ বাহিৰৰ বড়োসকলৰ উন্নয়নৰ বাবে সুকীয়া স্বায়ত্তশাসিত পৰিষদৰ দাবী জনোৱাৰ ফলশ্ৰুতিত সম্পাদিত হোৱা তৃতীয় শান্তি চুক্তিৰ জৰিয়তে বিকেডব্লিউএচি গঠন কৰিবলৈ সক্ষম হৈছে আৰু স্বায়ত্তশাসিত পৰিষদখনক পূৰ্ণাংগ কৰাৰ বাবে স্বাক্ষৰকাৰী সংগঠন হিচাপে ইউবিপিঅ'ৰ ভূমিকা আছে, সেইবাবেই ইউবিপিঅ'ক সাংগঠনিকভাৱে শক্তিশালী হোৱা উচিত বুলি কৈ বিকেডব্লিউএচিৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ চৰকাৰে গাঁও চিনাক্ত কৰাৰ প্ৰক্ৰিয়া হাতত লৈছে আৰু এইক্ষেত্ৰত সকলোকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ইউবিপিঅ'ৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি জিলা সমিতিৰ অন্তৰ্গত আঞ্চলিক সমিতিসমূহৰ সাংগঠনিক ভেটি সুদৃঢ় কৰাৰ সিদ্ধান্ত হাতত লয়। সভাত ইউবিপিঅ'ৰ উপ-সভাপতি ললিত চন্দ্ৰ ব্ৰহ্ম, ৰঞ্জন বসুমতাৰী, অধ্যক্ষ ঘনকান্ত মহেলা, কাৰ্যালয় সম্পাদক বানেশ্বৰ গয়াৰী, চনী বড়ো, ৰত্ন বাগলাৰী, সদস্যা ফুলমতী বড়ো, বিটিএডিৰ বাহিৰৰ প্ৰাক্তন বিএলটি কল্যাণ পৰিষদৰ সাধাৰণ সম্পাদক বিষ্টিৰাম নাৰ্জাৰী, ইউবিপিঅ'ৰ কলিয়াবৰ আঞ্চলিক সমিতিৰ সভাপতি নন্দেশ্বৰ স্বৰ্গীয়াৰী, ইউবিপিঅ'ৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি শংকৰ বসুমতাৰী, উপ-সভাপতি ক্ষুদিৰাম নাৰ্জাৰী, দেহিৰাম বড়ো, সাধাৰণ সম্পাদক অৰবিন্দ বড়ো, জিলা সমিতিৰ অন্তৰ্গত লাহৰীঘাট, মায়ং, জাগীৰোড, জেৰুৱা, কোচতলী আঞ্চলিক সমিতিসমূহৰ সভাপতি, সাধাৰণ সম্পাদক, কেবাগৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থকা সভাত তৃতীয় বড়ো শান্তি চুক্তিৰ সকলো দফা কাৰ্যকৰী কৰা, বিকেডব্লিউএচিৰ নিৰ্বাচন শীঘ্ৰে অনুষ্ঠিত কৰা, বসুন্ধৰা ৩.০ আৰু বন অধিকাৰ আইন, তৃতীয় বড়ো শান্তি চুক্তিৰ ৭.১ দফাৰ আইনৰ অধীনত মৰিগাঁও জিলাৰ জনজাতি পৰিয়ালৰ ভূমিৰ সমস্যা সমাধান কৰা, মৰিগাঁও জিলাৰ বড়ো অধ্যুষিত অঞ্চলৰ যাতায়াত, ৰাজহুৱা অনুষ্ঠান আদিৰ উন্নয়নৰ আন্তঃগাঁথনি নিৰ্মাণৰ দাবীৰ সিদ্ধান্ত লয়।

# ছিপাঝাৰত অসম মালা আঁচনিৰ পথত ফুটপাথ নিৰ্মাণৰ নামত ভেঁকো-ভাওনা

**ই সংবাদ, ছিপাঝাৰ, ৩০ অক্টোবৰঃ** দৰং জিলাৰ এখন গুৰুত্বপূৰ্ণ চহৰ ছিপাঝাৰৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী তথা লোক নিৰ্মাণ বিভাগৰ 'অসম মালা আঁচনি'ৰ অধীনত নিৰ্মীয়মান পথ এটিৰ ফুটপাথ নিৰ্মাণৰ নামত চূড়ান্ত ভেঁকো-ভাওনা চলোৱা ঘটনাই সচেতন মহলৰ চকু কপালত তুলিছে। ছিপাঝাৰৰ পৰা টংলালৈ নিৰ্মাণ কৰি থকা পথটো নিৰ্মাণত ফুটপাথৰ নামত খণ্ড খণ্ড কৈ বনাই মৰণফান্দ সাজি থৈছে। একেদৰে ফুটপাথ নিৰ্মাণৰ অনিয়মৰ বাবেই ডাউকী দলৰ শ শ বিঘা শালিতলিৰ মাটিও চন পৰি ৰ'ল। উল্লেখ্য যে, ২০২১-২২ বৰ্ষতে ২০০ কোটি টকা ব্যয় সাপেক্ষে লোক নিৰ্মাণ বিভাগৰ 'অসম মালা আঁচনি'ৰ অধীনত ছিপাঝাৰৰ পৰা টংলালৈ পথছোৱা নিৰ্মাণৰ কাম আৰম্ভ হৈছিল। পথটো নিৰ্মাণৰ সমান্তৰালভাৱে ছিপাঝাৰ চহৰৰ পানী বেংনৈত পেলোৱাৰ বাবে পথটোৰ দুয়োকাষে কঠামাৰা দলঙৈলে ফুটপাথ নিৰ্মাণৰ কামো আৰম্ভ কৰা হৈছিল। ছিপাঝাৰ মটৰ ষ্টেচনৰ পৰা দোকান পাৰাৰ কিনা পুখুৰীলৈকে ফুটপাথ নিৰ্মাণ কৰাৰ লগতে পথটোৰ দুয়োকাষে কেইবাখণ্ড ফুটপাথ নিৰ্মাণ কৰাৰ পিছতে ইয়াৰ কাম বন্ধ কৰা হয়। আনকি নায়কপাৰাৰ হেমন্ত শৰ্মাৰ বাসগৃহৰ সন্মুখত মেনহলটো বিগত মাহত কংক্ৰিটেৰে ঢালাই কৰি বন্ধ কৰি দিয়ে পথ নিৰ্মাণত নিয়োজিত শ্ৰমিকে। ইয়াকে লৈ পথটোৰ দুয়োকাষে থকা বাসিন্দাসকলে দুৰ্ভোগ ভোগাৰ লগতে একাংশ কৃষকে ভাতে মৰাৰ আশংকাত ভুগিছে। কিয়নো পথটোৰ অপৰিকল্পিত নিৰ্মাণৰ ফলত ইয়াৰ পশ্চিমচুবাস্থিত ডাউকী দলৰ শতাধিক বিঘা শালি খেতিৰ পথাৰত অত্যধিক পানী জমা হোৱাৰ ফলত কৃষকসকলে হাল মাৰিবই নোৱাৰিলে। ফলত চন পৰি ৰ'ল কৃষকসকলৰ জীৱিকাৰ একমাত্ৰ সম্বল শতাধিক বিঘা শালি খেতিৰ মাটি। ইপিনে, ছিপাঝাৰ মটৰ ষ্টেচনৰ পানী ফুটপাথৰ নলাৰে বেংনৈত নেপেলালে অদূৰ ভৱিষ্যতে এজাক বৰষুণতে বানত বুৰিব সমজিলাৰ সদৰৰ দৰে গুৰুত্বপূৰ্ণ চহৰখন। লগতে পদপথ নিৰ্মাণ সম্পূৰ্ণ নকৰিলে পশ্চিমচুবা অংশৰ একাংশ বাসিন্দাই বাৰিষাৰ বৰষুণত দুৰ্ভোগ ভোগাৰ সমান্তৰালভাৱে অদূৰ ভৱিষ্যতে নায়কপাৰাৰ দ' ভুঁই, ভালুকখোৱা আৰু বেংনৈৰ পথাৰত শালি খেতিৰে জীৱন নিৰ্বাহ কৰা শতাধিক কৃষকৰ পেটৰ ভাত মৰিব। মাথোঁ ইমানেই নহয়, খণ্ডিত ফুটপাথসমূহ সম্পূৰ্ণ নকৰিলে ই মৰণফান্দ হৈ থাকিব। তেনে পৰিপ্ৰেক্ষিতত পথটোৰ দুয়োফালে ছিপাঝাৰ মটৰ ষ্টেচনৰ পৰা বেংনৈলৈ নিৰ্মাণ কৰা ফুটপাথ দুটা সম্পূৰ্ণ কৰিবলৈ দাবী জনাইছে সচেতন নাগৰিকসকলে।

# আগমনিত জুৱা-তীৰ খেলৰ বিৰুদ্ধে আৰক্ষীক আছুৰ স্মাৰক পত্ৰ

**ই-সংবাদ, গোলকগঞ্জ, ৩০ অক্টোবৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত বিভিন্ন বজাৰত চলি থকা তীৰ খেলৰ লগতে আগন্তুক দেৱালীত জুৱা খেল বন্ধ ৰখাৰ দাবীত আজি আগমনি আঞ্চলিক ছাত্ৰ সন্থাই আগমনি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰত উল্লেখ কৰা মতে, আগমনি, কালডোবা, আমতলা, খুনিয়াভিটা আদি বজাৰত মুকলিভাৱে অবৈধ তীৰ খেল চলি আছে। তীৰ খেলৰ বাবে অঞ্চলটোৰ সামাজিক পৰিবেশ বিঘ্নিত হৈ পৰা দেখা গৈছে। আকৌ যদি দেৱালীত জুৱা খেলৰ পয়োভৰ বৃদ্ধি পায় অঞ্চলটোৰ পৰিৱেশৰ চৰম অৱনতি হোৱাটো নিশ্চিত। সেয়ে সুস্থ সামাজিক পৰিবেশ অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত আছুৱে অঞ্চলটোত চলি থকা অবৈধ তীৰ খেল বন্ধ কৰাৰ লগতে দেৱালীত হ'বলগীয়া জুৱা খেল কঠোৰ হাতেৰে বন্ধ ৰখাৰ দাবী জনায়। স্মাৰক পত্ৰখন আগমনি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক প্ৰদান কৰাৰ লগতে ইয়াৰ প্ৰতিলিপি আৰক্ষী অধীক্ষকলৈ প্ৰেৰণ কৰে।

# বহুমুখী প্ৰকল্পৰ ভূমি পূজনৰ প্ৰস্তুতি

**ই-সংবাদ, গোলকগঞ্জ, ৩০ অক্টোবৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ সমজিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ লক্ষীমাৰীত অহা ছয় নৱেম্বৰত সীমান্ত বহুমুখী প্ৰকল্পৰ ভূমি পূজন অনুষ্ঠিত হ'ব। উল্লেখ্য যে লক্ষীমাৰীত চৰকাৰে ইতিমধ্যে তিনি বিঘা মাটি আবণ্টন দিছে। তদুপৰি অসম চৰকাৰে আন্তঃগাঁথনিৰ বাবেও দুই কোটি টকা আবণ্টন দিছে। অহা ছয় নৱেম্বৰত প্ৰকল্পৰ ভূমি পূজনৰ লগতে শিলান্যাস কৰা হ'ব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস বিএছএফৰ গুৱাহাটী ফ্ৰন্টিয়াৰৰ আইজি, আয়ুক্ত দীবাকৰ নাথ, প্ৰাক্তন বিধায়ক তথা প্ৰদেশ বিজেপিৰ অ'বিচি মৰ্চাৰ সভাপতি অশ্বিনী ৰায় সৰকাৰ, গৌৰীপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক বনেন্দ্ৰ কুমাৰ মুছাহাৰী আদি উপস্থিত থাকিব। সমূহ ৰাইজৰো উপস্থিতি কামনা কৰিছে উদ্যোক্তাই।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# মহম্মদ ছামীক গৃহ চহৰ মৰিগাঁৱত উষ্ম আদৰণি



**ই-সংবাদ, মৰিগাঁও, ৩০ অক্টোবৰঃ** ইণ্ডোনেছিয়া, থাইলেণ্ড আৰু ভুটানত অনুষ্ঠিত হোৱা ১৭ বছৰ অনুৰ্ধৰ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত ভাৰতীয় ফুটবল দলত নিজৰ পাৰদৰ্শিতাৰে জিলিকিবলৈ সক্ষম হোৱা মৰিগাঁও চহৰৰ দলবাৰীৰ যুৱ খেলুৱৈ মহম্মদ ছামীক আজি গৃহ চহৰ মৰিগাঁৱত বিভিন্ন দল-সংগঠনে উষ্ম আদৰণি জনায়। এসময়ৰ পদ্মেশ্বৰ ডেকা, স্বধীন ডেকাৰজা আৰু জুনিয়ৰ শাখাত বিষ্ণু বৰদলৈৰ পিছত মৰিগাঁও জিলাৰ দলবাৰীৰ যুৱ ব্যৱসায়ী জেহেৰুল ইছলাম আৰু চেলিমা বেগমৰ সু-সন্তান মহম্মদ ছামীয়ে মৰিগাঁও জিলাৰ পৰা ভাৰতীয় ফুটবল দলত অংশগ্ৰহণ কৰি ৰাজ্যৰ লগতে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। ১৭ বছৰ অনুৰ্ধৰ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতা সফলতাৰে অতিক্ৰম কৰি যোৱা নিশা গৃহ চহৰ মৰিগাঁৱত উপস্থিত হয় যুৱ খেলুৱৈ মহম্মদ ছামী। আজি মহম্মদ ছামীক মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক জিতু বৰদলৈ, দলবাৰী যুৱকল্যাণ সংঘ, গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ লগতে বিভিন্ন দল সংগঠন আৰু ব্যক্তি বিশেষে উষ্ম আদৰণি জনোৱাৰ লগতে খেলুৱৈগৰাকীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে।



ভাৰত এ দল আৰু অষ্ট্ৰেলিয়া এ দলৰ খেলৰ এটি মুহূৰ্ত, বুধবাৰে মেকেইত



বাংলাদেশৰ বিৰুদ্ধে দ্বিতীয় টেষ্টত শতক অৰ্জনৰ পিছত ৰায়ান মালদাৰ, চট্টগ্ৰামত বুধবাৰে

## দুৰ্বৃত্তই লৈ গ'ল সোণৰ গহণা, এজনক আটক

# শিৱসাগৰত চিকিৎসকৰ বাসগৃহত চোৰে চলালে তাণ্ডৱ

**ই-সংবাদ, শিৱসাগৰ, ৩০ অক্টোবৰঃ** চিকিৎসক শ্ৰীমন্ত লাহনৰ বাসগৃহত এটা দুৰ্বৃত্তৰ দলে প্ৰৱেশ কৰি কালি সন্ধিয়া পৰিয়ালটোৰ সকলো সোণৰ আ-অলংকাৰ, নগদ ধন লুটি লৈ যোৱাৰ ঘটনাই সমগ্ৰ শিৱসাগৰ জিলাখনতেই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সন্ধিয়া প্ৰায় ৭ বাজি ৩৫ মিনিটৰ ভিতৰত সংঘটিত এই লুটপাতৰ ঘটনা সন্দৰ্ভত পৰিয়ালটোৰ মুৰব্বী শ্ৰীমন্ত লাহনে সদৰ আৰক্ষী থানাত লিখিত অভিযোগ দাখিল কৰাৰ পিছতেই সদৰ ভাৰপ্ৰাপ্ত বিষয়া কল্পজিত শৰ্মাৰ নেতৃত্বত বৃহৎ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ অনুসন্ধান আৰম্ভ কৰে। প্ৰাপ্ত বাতৰি মতে, আন দিনাৰ দৰে কালিও শিশু ৰোগ বিশেষজ্ঞ চিকিৎসক শ্ৰীমন্ত লাহনে সন্ধিয়া ছয় বজাত পত্নী, সন্তান সহিতে নগৰৰ চেম্বাৰলৈ যায়। পত্নী-সন্তানে দীপাৱলীৰ বজাৰ-সমাৰ কৰাৰ বিপৰীতে শ্ৰীমন্ত লাহনে নিজৰ চেম্বাৰত ৰোগী চাই ৭ বাজি ৩৫ মিনিটত উপস্থিত হয়গৈ নিজ গৃহত। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বিক্ৰমপুৰ চাৰিআলিৰ সমীপতেই অৱস্থিত বাসগৃহটোত লাহনৰ পৰিয়ালটোৱে প্ৰৱেশ কৰাৰ সময়তেই চিচিটিভিৰ এল চি ডিত পিছফালে এজন যুৱক দৌৰি পলায়ন কৰা প্ৰতক্ষ্য কৰে। লগে লগে লাহনে সাম্ভাব্য বিপদৰ আশংকা কৰি ঘৰৰ কোঠাসমূহ পৰীক্ষা কৰাৰ সময়তেই পিছফালৰ এটা কোঠাৰ খিৰিকী ভাঙি থকা প্ৰতক্ষ্য কৰে। ইয়াৰ পিছতেই ঘৰটোৰ আটাইকেইটা কোঠাত থকা গডৰেজ, আলমিৰা ভাঙি পৰিয়ালটোৰ সকলো সোণৰ সামগ্ৰীৰ লগতে সাঁচতীয়া হিচাপে থকা নগদ ধন লুটি লৈ যোৱা পৰিলক্ষিত হয়। পৰিয়ালটোৱে বাহিৰৰ দিশত সংযোজিত হৈ থকা চিচিটিভিসমূহ পৰীক্ষা কৰাত পাঁচজনীয়া এটা যুৱকৰ দলে পিছফালেদি বাসগৃহটোত খিৰিকী ভাঙি প্ৰৱেশ কৰা দৃশ্য আৰম্ভ হয়। প্ৰাৰম্ভিক পৰ্যায়ত পূৰ্বৰে পৰা অনুসৰণ কৰি থকা দুৰ্বৃত্তৰ দলে চিকিৎসকৰ পৰিয়ালটোৱে বাসগৃহটো তলা মাৰি নগৰলৈ ওলাই যোৱা প্ৰত্যক্ষ কৰাৰ পিছতেই বাসগৃহটোত লুটপাটৰ অভিযান চলয়াই বুলি ৰাইজে সন্দেহ কৰিছে। দুৰ্বৃত্তৰ দলৰ চাল-চলন, লুটপাতৰ সময়ত ব্যৱহাৰ কৰা কৌশলসমূহ প্ৰত্যক্ষ কৰিলে দলটোৱে ঘটনা সংঘটিত হোৱাৰ পূৰ্বে বাসগৃহটোৰ সকলো প্ৰৱেশ- প্ৰস্থান ভালদৰে পৰীক্ষা কৰি লোৱাৰ লগতে চিচিটিভিত স্থানীয় যুৱকজনৰ দৃশ্য ধৰা নপৰিবৰ বাবেই মাস্ক পিন্ধি লোৱা বুলি সন্দেহ কৰা হৈছে। সদৰ আৰক্ষী থানাত চিকিৎসকগৰাকীয়ে দাখিল কৰা এজাহাৰৰ ভিত্তিত উপস্থিত হোৱা আৰক্ষীৰ দলটোৱে সকলো চিচিটিভিৰ ফুটেজ পৰীক্ষা কৰাৰ লগতে সোধা-পোছাৰ বাবে সোণ চোৰ অংকুৰ দাসক আটক কৰি সদৰ থানাত জেৰা চলাই আছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ
বিজি গগৈ (অবৈতনিক)